# সুঁতি

## মুখপত্ৰ

অসম ছাত্ৰ-যুৱ সংগঠন (এছীয়)
শদিয়া জিলা সমিতিৰ

## প্ৰথম অধিৱেশন

৮ আৰু ৯ মাৰ্চ ২০০৮ চন।

স্থানঃ বৰপুখুৰী গাঁৱৰ ৰাজহুৱা খেল পথাৰ।

সম্পাদনাত -
সিদ্ধাৰ্থ বুঢ়াগোহাঁই

OKDISCD

'সুঁতি' - অসম ছাত্র-যুৱ সংগঠনৰ শদিয়া জিলা সমিতিৰ মুখপত্ৰ
(প্ৰথম অধিৱেশন উপলক্ষে প্ৰকাশিত)

## অৰ্পণ

*মেহনতী খাতি খোৱা জন-গণৰ মাজত*
*নতুন দিগন্ত সুচনাৰে*
*সংহতি-সংগ্ৰাম-সমতাৰ লক্ষ্য উদ্দেশ্যক*
*বাস্তৱিত কৰিব বিচৰা সমূহ সংগ্ৰামী*
*সতীৰ্থৰ হাতত এই সংখ্যাটি*
*অৰ্পণ কৰিলোঁ।*

সম্পাদক

**সম্পাদনা সমিতিঃ-**

প্ৰকাশকঃ
শদিয়া জিলা সমিতি, এছীয়।

উপদেষ্টাঃ
শ্ৰী যতীন গগৈ
শ্ৰী প্ৰণৱ বড়া
শ্ৰী প্ৰশান্ত গগৈ
শ্ৰীযুতা বাসন্তী বড়া

সম্পাদক ঃ
শ্ৰী সিদ্ধাৰ্থ বুঢ়াগোহাঁই

সদস্য ঃ
শ্ৰী শিৱকান্ত গগৈ
শ্ৰী দ্ৰোনকান্ত গগৈ
শ্ৰী বিপুল গগৈ

## সম্পাদকীয়............

১৯৪৭ চনৰ ১৫ আগষ্টত বৃটিছ সাম্ৰাজ্যবাদৰ প্ৰদানত শাসন শোষণৰ পৰা ভাৰতবৰ্ষই তথাকথিত স্বাধীনতা অৰ্জন কৰিলেও বৃটিছ সাম্ৰাজ্যবাদৰ শোষণৰ বাঘজৰী আংশিক ভাৱে হলেও ভাৰতৰ তথা কথিত শাসক গোষ্ঠীৰ হাতলৈ হস্তান্তৰীত হয়। স্বাধীনতাৰ ঢাক-ঢোলৰ চেৱে চেৱে ভাৰতৰ শাসক গোষ্ঠীয়েও গঢ়ি তুলিলে এক অতি কেন্দ্ৰীভূত শাসনৰ বাঘজৰী। স্বাধীনতাৰ নামত আৰম্ভ হ'ল শাসকগোষ্ঠীৰ মাজত ক্ষমতাৰ ভাগ বতৰা আৰু অতি চাতুৰ্য্যভাৱেই ন্যায় নীতি আৰু একতাৰ দোহাই দি কাঢ়ি লোৱা হ'ল জনগণৰ সমগ্ৰ অধিকাৰ। শোষণৰ প্ৰক্ৰিয়া আজি এনে এক অৱস্থানত উপনীত হৈছেহি য'ত হেৰাই গৈছে ভৰি থোৱা মাটিকণৰ অধিকাৰ আৰু শ্ৰমৰ মূল্যও মূল্যহীন হৈ পৰিছে। গছ-লতা,বন, পশু-পক্ষী, আকাশ-লতা, পানী সকলো পৰিণত হৈছে শোষকৰ ৰমৰমীয়া বজাৰৰ পণ্য সামগ্ৰীত। গতিকে এনে এক জটিল অৱস্থাতে ভাৰতৰ অংগ ৰাজ্য হিচাপে অন্তৰ্ভূক্ত অসমৰ জনগণেও শাসন শোষণৰ প্ৰকোপত হাৰো-দুৰো খোৱাই নহয় ক্ৰমে ক্ৰমে হেৰুৱাই পেলাইছে নিজস্ব মৰ্য্যাদা আৰু অধিকাৰ। অসমৰ সংখ্যা গৰিষ্ঠ জনতাৰ মৌলিক সমস্যা, ভাত কাপোৰৰ সমস্যা, নিবনুৱা সমস্যা, বান-গড়াখহনীয়া সমস্যাই ভাৰত ৰাষ্ট্ৰৰ চিন্তাম্বিতৰ বিষয় নহয়। অসমৰ নৈ কেইখনে অত্যাধিক ভাৱে গড়াখহনীয়া সৃষ্টি কৰাতে অসম নিচিন্ন হোৱাৰ পথত গতি কৰিছে। এনেবোৰ জীৱন মৰণৰ সমস্যা স্থায়ী সমাধানৰ বিপৰিতে অসমক পুনৰ দূৰ্য্যোগলৈ ঠেলি ভাৰত ৰাষ্ট্ৰ যন্ত্ৰৰ প্ৰধান মন্ত্ৰী ড. মনমোহন সিং দেৱে দিবাং নৈৰ উজনিত ৩০০০ মেগাৱাট সম্পন্ন জলবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়েই পুনৰ প্ৰমাণ কৰিলে যে অসমৰ জাতীয় সমস্যাবোৰ ৰজা ঘৰৰ পৰিকল্পনাৰ অন্তৰ্ভূক্ত নহয়।


প্ৰাক ঐতিহাসিক কালৰ পৰা বিকাশশীল আমাৰ অসমীয়া জাতীয় জীৱনে অহৰহ সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ মাজেৰে আজিৰ অৱস্থানত উপনিত হৈছে। বহু প্ৰকৃতিক তথা মানৱ সৃষ্টিৰ সমস্যা সমাধানে প্ৰক্ৰিয়াৰ যোগেদি আজিৰ অৱস্থানত অৱস্থিত অসমৰ জাতীয় জীৱন আকৌ অন্য বিভিন্ন সমস্যাৰ অনিবাৰ্য্য ভাৱেই মূখামুখি হৈছে।

জাতীয় জীৱনত আজি বিভিন্ন সমস্যাৱে ভাৰাক্ৰান্ত কৰা তথা জাতীয় জীৱনক নিঃ শেষ কৰিব বিছৰা এনে সমস্যা সমূহৰ সমাধান কল্পে সমাজ সৃষ্ট বিভিন্ন সংগঠন .তথা নেতৃত্বৰ সৃষ্টি হৈছে তথা উত্থান পতনৰ মাজেদি এক শুদ্ধ আৰু সুসংহত কৰণৰ ফালে ধাৱমান হৈছে। জাতীয় জীৱনৰ প্ৰতিটো সমস্যা শুদ্ধ তত্ব আৰু সঠিক কৌশলৰ উদ্ভাৱনৰ স্বাৰ্থত এক নিৰ্মোহ বিশ্লেষণৰ অতিকৈ প্ৰয়োজন হৈছে। এই জন্ম লাভ কৰা অসম ছাত্ৰ-যুৱ সংগঠনটোৱে জন্ম লগ্নৰে পৰা অসমৰ বৃহত্তৰ জন সমষ্টিটোৰ সমমৰ্য্যাদা আৰু সমঅধিকাৰৰ ভিত্তিত সৰ্বাত্মক বিকাশৰ বাবে স্থিতাৱস্থাৰ পৰিৱৰ্তন ঘটায় ক্ষমতা পূৰ্ণ পৰ্য্যায়ৰ বিকেন্দ্ৰীকৃত আত্ম নিয়ন্ত্ৰণৰ অধিকাৰক মূল দাবী, ঐতিহাসিক আৰু দন্দ্বমূলক বস্তুবাদক দৰ্শন হিচাপে লৈ প্ৰচলিত নিৰ্বাচনী ব্যৱস্থাৰ বাহিৰত থাকি অসমৰ ছাত্ৰ-যুৱ সকলক সুসংগঠিত কৰি এক গণ সংগ্ৰাম অব্যাহত ৰাখিছে। অসম ছাত্ৰ-যুৱ সংগঠন চমূৰ্কৈ এছীয়ই শদিয়া তথা অসমৰ সমস্যাৱাজি সমাধানৰ সুত্ৰে মুকলি বিতৰ্ক আৰু পৰ্য্যালোচনাৰ যোগেদি এক সঠিক মীমাংসাত উপনীত হ'বৰ বাবে শদিয়া জিলাৰ সাংগঠনিক মুখপত্ৰ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সিদ্ধান্ত কাৰ্য্যকৰি কৰণৰ উদ্দেশ্যে শদিয়া জিলা সমিতিৰ প্ৰথম অধিৱেশনত ইয়াৰ প্ৰথম খণ্ড টি ৰাইজৰ মাজলৈ মুকলি বিতৰ্কৰ বাবে আগবঢ়াই....

অসমৰ খাতি খোৱা মেহনতী জনগণৰ মাজত এক নতুন দিগন্তৰ সূচনা কৰি 'অসম ছাত্ৰ-যুৱ সংগঠনৰ' সংহতি - সংগ্ৰাম - সমতা লক্ষ্য আৰু উদ্দেশ্য বাস্তবায়িত কৰিবৰ বাবে শদিয়াৰ লগতে অসমৰ প্ৰতিজন জনতাৰ সহায় সহযোগ তথা মুকলি বিতৰ্কৰ আহ্বান জনালোঁ।

সিদ্ধাৰ্থ বুঢ়াগোহাঁই
সম্পাদক





# বিশ্বায়নৰূপী আধুনিক সাম্ৰাজ্যবাদ আৰু জনগোষ্ঠীয় সংকট

**আদিত্য বড়া**

অতিসম্প্ৰতি বিশ্বায়নৰ ধুমুহাই সভ্যতাৰ পোহৰে ঢুকি নোপোৱা অঞ্চলবোৰতো তোলপাৰ লগাইছে। বিশ্বায়নৰ তালফাল লগোৱা শ্লোগানবোৰৰ দ্বাৰা এনে লাগে যেন মানৱ জাতিয়ে প্ৰাগ-ঐতিহাসিক কালৰ পৰা এই বিশ্বায়নৰ মহামন্ত্ৰযাৰ নুবুজাৰ কাৰণেই মানৱ জাতিৰ ইমান দুখ, দুৰ্দশা হ'ল। সঁচাই সমগ্ৰ মানৱ জাতিটোৰ প্ৰতিয়েই পুতৌ লগা কথা হ'ল। অন্যৰ কথা নকʼলোৱেই বা, অৰ্থনীতি বিভাগৰ ডাঙৰ ডাঙৰ পণ্ডিতসকলে অৰ্থাৎ যিসকলে তেওঁলোকৰ সমগ্ৰ জীৱন মানৱ জাতিয়ে কেনেকৈ পেট ভৰাই পুষ্টিকৰ খাদ্য খাই হাঁহি-

মাতি, নাচি-বাগি আনন্দত দিন নিয়াব পাৰে, সেই বিষয়ে গৱেষণা, চিন্তা কৰি জীৱনপাত কৰে, সেইসকলৰ এক বৃহৎ অংশই বিশ্বায়নৰ গায়ত্ৰী মন্ত্ৰবাৰ ইমান দেৰিকৈ গম পোৱাৰ বাবে নিজকে ধিক্কাৰ দি ককালত টঙালি বান্ধি বিশ্বায়নৰ সপক্ষে তালফাল লগাইছে— 'এইবাৰ চিন্তা নাই, মানৱ জাতিৰ দুখ মোচনৰ বাবে বিশ্বায়ন আহি গ'ল, মানৱ জাতিয়ে এইবাৰ মৰিবলৈ বিচাৰিলেও মৰিবলৈ দিয়া নহ'ব। প্ৰয়োজন হ'লে লাঠি চাৰ্জ কৰি, গুলী চলাই হ'লেও বিশ্বায়নৰ যোগেদি মানৱ জাতিক জীয়াই ৰখা হ'ব, হঁহুওৱা হ'ব, নচুওৱা হ'ব। সাৱধান, সাৱধান! মানৱ জাতিৰ প্ৰগতিত বাধা নিদিবা, দেৱতাৰ দ্বাৰা প্ৰেৰিত প্ৰগতিত বাধা দিলে চকুপানী টোকাৰ অধিকাৰো হেৰুৱাবা। সাৱধান, সাৱধান!'

প্ৰধানমন্ত্ৰী নৰসিংহ ৰাও আৰু বিত্তমন্ত্ৰী মনমোহন সিঙৰ নেতৃত্বতেই পোনপটীয়াকৈ ভাৰতত প্ৰৱেশ কৰা এই অৰ্থনৈতিক সংস্কাৰৰূপী বিশ্ববেংক আৰু আই এম এফ প্ৰেৰিত বিশ্বায়ন নামৰ মন্ত্ৰযাৰীযে আচলতে অন্য একো নহয়, প্ৰকৃততে ই সাম্ৰাজ্যবাদৰ নব্য ৰূপ—'আধুনিক সাম্ৰাজ্যবাদী শোষণ নীতি'হে এই কথা নৰসিংহ ৰাও চৰকাৰৰ দিনৰ পৰা আজিলৈকে চৰকাৰৰ কামকাজ, অৰ্থনীতিৰ ৰেহ-ৰূপ আদি অতি সাধাৰণভাৱে পৰ্যবেক্ষণ কৰা প্ৰতিজন ব্যক্তিক বুজাই কোৱাৰ নিশ্চয় প্ৰয়োজন নহ'ব। বিশ্বায়ন, উদাৰীকৰণ নামৰ এই জটিল শোষণ নীতিক যিহেতু বিদগ্ধ দেশভক্ত পণ্ডিতসকলে গুণানুকীৰ্ত্তন কৰি থাকোতেই জাতিৰ-মাটিৰ-ভেটিৰ, খাটিখোৱাৰ অস্তিত্বৰ, ভাতমুঠিৰ সংকটে দেখা দিছে— এইক্ষেত্ৰত আমাৰ দৰে জ্ঞানহীন, মানহীন নিকৃষ্ট, ধুলিৰো ধুলিসকলে ইয়াৰ বিৰুদ্ধে দুআষাৰ নিলিখিলে বা কিবা এটা নকৰিলে চৈধ্য পুৰুষ 'পাপ'ত ডুবিব বুলি ভাবিয়েই দুআষাৰ লিখাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি অপৰাধ কৰাৰ মানস কৰিছে।

বিশ্বায়ন বা উদাৰীকৰণৰ মহামন্ত্ৰযাৰ অৰ্থনৈতিক সংস্কাৰৰ নামত নৰসিংহ ৰাও চৰকাৰৰ দিনতে পোনপ্ৰথম নিকপকপীয়াকৈ ভাৰতত প্ৰৱেশ কৰিছিল যদিও এই বিশ্বায়নৰূপী আধুনিক সাম্ৰাজ্যবাদী জন্ম-ৰহস্য বহু পুৰণি। ইয়াৰ জন্ম-ৰহস্যৰ বস্তুগত দিশ বিশ্লেষণ কৰিলে এনেদৰে দেখা যায়— ওঠৰশ শতিকাৰ মাজভাগৰ পৰা ইউৰোপত বিভিন্ন উৎপাদনী যন্ত্ৰৰ উদ্ভাৱন আৰু উৎপাদনত যন্ত্ৰৰ প্ৰয়োগে বিভিন্ন হস্ত আৰু কুটীৰ শিল্পক যন্ত্ৰশিল্পলৈ বিকাশ ঘটায়। ফলত উৎপাদনত যন্ত্ৰৰ প্ৰয়োগে উৎপাদন ক্ষিপ্ৰ কৰি তোলাৰ বাবে অধিক উৎপাদন আৰু গুণগতভাৱে উন্নত উৎপাদন সম্ভৱ হৈ উঠে। ইউৰোপৰ এই ঘটনাই সামন্তবাদৰ বান্ধোন চিঙি নতুনকৈ ধনী হৈ উঠা ধনিক শ্ৰেণীৰ বাবে এক সম্ভাৱনাৰ দুৱাৰ মুকলি কৰে আৰু উৎপাদিত সামগ্ৰীৰ বিক্ৰী তথা কেঁচামাল সংগ্ৰহৰ বাবে উপনিৱেশ প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তা অধিক তীব্ৰ হৈ পৰে।





এই তাড়নাতেই ৰজা-মহাৰজাৰ দিনৰ সাম্ৰাজ্যবাদী নীতিৰে বিভিন্ন অঞ্চলত চলে-বলে-কৌশলেৰে উপনিৱেশ প্ৰতিষ্ঠাৰ প্ৰতিযোগিতা আৰম্ভ হ'বলৈ ধৰে। মূলতঃ ইউৰোপীয় সাম্ৰাজ্যবাদী শিবিৰৰ বৃটেইন, ফ্ৰান্স আদি দেশবিলাকে বজাৰ দখলৰ স্বাৰ্থত পোহাৰ মেলা সাম্ৰাজ্য বিস্তাৰৰ এনে নীতিৰ ফলতে গোটেই বিশ্বই এদিন ইউৰোপীয় উপনিৱেশত পৰিণত হয়। সেই সময়ত ইউৰোপীয় সাম্ৰাজ্যবাদী শিৱিৰৰ উৎপাদন প্ৰক্ৰিয়া আৰু বজাৰ দখলৰ প্ৰক্ৰিয়াৰ মাজত এটা স্বাভাৱিক দন্দ্বই তীব্ৰভাৱে আত্মপ্ৰকাশ কৰিছিল। দন্দ্বটো আছিল এনেধৰণৰ— সমগ্ৰ উৎপাদনী প্ৰক্ৰিয়াই সামন্তীয় বান্ধোনবোৰ ছিঙি উৎপাদন আৰু জীৱন-ধাৰণ প্ৰক্ৰিয়াত যন্ত্ৰৰ প্ৰয়োগ ঘটাইছিল আৰু পুৰণি সামন্তীয় চিন্তা-চৰ্চা তথা প্ৰৱণতাবোৰৰ ওপৰত কুঠাৰাঘাত কৰি এক আধুনিক পুঁজিমুখি জীৱনধাৰাৰ প্ৰৱৰ্তন ঘটাইছিল। যন্ত্ৰশিল্পৰ দ্বাৰা উৎপাদিত আধুনিক সামগ্ৰীৰ ব্যৱহাৰে সমগ্ৰ মানৱ জাতিকে এক সম্ভাৱনাময় পুঁজিমুখি উৎপাদনী প্ৰৱণতাৰ দিশে ধাৱিত কৰিছিল। ফলত মনোজগতৰ ভিতৰতো সামন্তীয় গোড়ামিৰ বিপৰীতে এক সংস্কাৰধৰ্মী চিন্তা-চৰ্চাই গা কৰি উঠিছিল আৰু ইয়াৰ লগে লগে মানৱ সমাজে ইমান দিনে মানি অহা সীমাবদ্ধতাখিনিক অতিক্ৰমী এক সুদূৰপ্ৰসাৰী সম্ভাৱনাময় বাস্তৱতাৰ স্বপ্ন দেখিছিল, ইয়ে মানুহৰ মন দিগন্তজুৰি প্ৰসাৰিত কৰাৰ লগতে অফুৰন্ত সাহস যোগাইছিল।

আনহাতে শিল্পত যন্ত্ৰৰ প্ৰয়োগে উৎপাদন তীব্ৰভাৱে বঢ়াই তোলাৰ বাবে উৎপাদিত সামগ্ৰী বিক্ৰী আৰু কেঁচামালৰ সংগ্ৰহৰ বাবে বজাৰ দখলৰ প্ৰয়োজনীয়তা আহি পৰিছিল। তাৰ স্বাৰ্থতে পুৰণি ৰজা-মহাৰজাৰ দিনৰ সামন্তবাদী সমাজ ব্যৱস্থাতে প্ৰচলিত বৈধ বা স্বীকৃত সমাজবাদী নীতিৰে (পুৰণি সাম্ৰাজ্যবাদী নীতি অৰ্থাৎ যি নীতিত কোনো এখন দেশে যুদ্ধ-বিগ্ৰহত পৰাজিত কৰি কোনো এখন দেশক উপনিৱেশ বনাই শোষণ কৰা নীতিক সামাজিকভাৱে স্বীকৃতি প্ৰদান কৰা হৈছিল।) উপনিৱেশ প্ৰতিষ্ঠা কৰিছিল। অৰ্থাৎ এই নীতিৰ যোগেদি প্ৰকাৰন্তৰে সামন্তীয় ব্যৱস্থাক ৰক্ষণাবেক্ষণ দিব লগাত পৰিছিল আৰু উপনিৱেশ টিকাই ৰখাৰ স্বাৰ্থত দালাল ৰূপত উপনিৱেশৰ সামন্তীয় প্ৰভু বা নেতাসকলক ৰক্ষণাবেক্ষণ দিবলৈ বাধ্য হৈছিল। ফলত উপনিৱেশবিলাকত সাম্ৰাজ্যবাদী শিৱিৰে সামন্ত প্ৰভুসকলৰ লগত জোঁট বন্ধন কৰিবলৈ বাধ্য হৈছিল।

এই সময়ত সাম্ৰাজ্যবাদী শিৱিৰে সততে মুখামুখি হোৱা দন্দ্বটো এনে ধৰণৰ আছিল যে উপনিৱেশৰ স্বাৰ্থত সামন্ত প্ৰভুক ৰক্ষণাবেক্ষণ দিব লাগে আৰু সামন্ত প্ৰভুসকলক ৰক্ষণাবেক্ষণ দিলে উপনিৱেশবিলাকত সামন্তীয় উৎপাদন সম্পৰ্ক অটুট থাকে আৰু ইয়াৰ ফলত জনসাধাৰণৰ ক্ৰয়-ক্ষমতা বৃদ্ধি নোহোৱাৰ বাবে আকৌ বজাৰত উৎপাদিত সামগ্ৰীৰ যোগান অনুপাতে চাহিদা বৃদ্ধি নহয়। ফলত

যন্ত্ৰশিল্পৰ দ্বাৰা উৎপাদিত অতিৰিক্ত সামগ্ৰীৰ বিক্ৰী বৃদ্ধি নহয়। ফলত অধিক উৎপাদন কৰিও অধিক লাভ আহৰণ কৰিবলৈ সমৰ্থ নহয়।

আনহাতে উপনিৱেশবিলাকত বিক্ৰী বঢ়াবৰ বাবে জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আহি পৰে আৰু ক্ৰয় ক্ষমতা বৃদ্ধি কৰিবলৈ হ'লে সামন্তীয় উৎপাদন সম্পৰ্কৰ অৱক্ষয় ঘটাই পুঁজিমুখি উৎপাদন সম্পৰ্ক প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য হৈ পৰে। ইফালে আকৌ পুঁজিমুখি উৎপাদন সম্পৰ্কই দেশীয় পুঁজিৰ বিকাশ ঘটাই দেশীয় পুঁজিপতিৰ সৃষ্টি কৰাৰ লগে লগে স্বাভাৱিকতেই দেশীয় পুঁজিপতি বনাম সাম্ৰাজ্যবাদৰ দ্বন্দ্ব তীব্ৰ হৈ উপনিৱেশৰ পৰা সাম্ৰাজ্যবাদী শিৱিৰক উৎখাত কৰাৰ সম্ভাৱনাও প্ৰবল হৈ পৰে। অৰ্থাৎ এই প্ৰক্ৰিয়াই বজাৰত প্ৰতিযোগী নিজেই জন্ম দি লোৱাৰ দৰে হৈ পৰে।

অন্যহাতেদি আকৌ বজাৰত যন্ত্ৰশিল্পৰ দ্বাৰা গুণগতভাৱে অধিক উন্নত মানৰ সামগ্ৰীসমূহ ব্যৱহাৰ তথা বজাৰ অৰ্থনীতিৰ লগত সততে সম্পৰ্ক ৰক্ষাৰ বাবে বহুক্ষেত্ৰত ঔপনিৱেশিক জনসাধাৰণৰ মাজত প্ৰকৃতিগতভাৱেও পুঁজিমুখি উৎপাদন সম্পৰ্কবিলাক গা কৰি উঠিছিল। উদাহৰণ হিচাপে অসমৰ মণিৰাম দেৱানৰ নিচিনা সামন্তবাদী নেতাইও চাহখেতি কৰি পুঁজি সংগ্ৰহৰ সপোন দেখিছিল। এই পুঁজি সংগ্ৰহৰ স্বপ্নই হয়তো মণিৰাম দেৱানহঁতৰ মনত বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ সাহস যোগাইছিল আৰু বৃটিছ চৰকাৰৰ নিযুক্ত এজন সামন্তপ্ৰভু হৈয়ো বৃটিছ খেদোৱাৰ অভিসন্ধিত অংশগ্ৰহণ কৰিছিল। ইয়াৰ উপৰি পুঁজিমুখি উৎপাদনে জনসাধাৰণৰ মাজত ক্ৰমে ক্ৰমে পুঁজিমুখি প্ৰৱণতাৰ গঢ় দিছিল আৰু ইয়ে ক্ৰমে ক্ৰমে অনিচ্ছাকৃতভাৱে হ'লেও সামন্তীয় বান্ধোনবোৰৰ অৱক্ষয়ত অৰিহণা যোগাই মানুহৰ এক স্বাধীনচেতীয়া পুঁজিমুখি সংস্কৃতিৰ জন্ম দিছিল আৰু ইয়েই পিছলৈ সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰামৰ মূল চালিকা শক্তিত পৰিণত হৈছিল।

গতিকে উপৰোক্ত বৰ্ণনাবোৰৰ পৰা এটা কথা অতি স্পষ্ট হৈ পৰিল যে আধুনিক যন্ত্ৰশিল্পৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহ বজাৰলৈ লৈ যাওঁতে পুঁজিপতিসকলে যি পুৰণিধৰণৰ সাম্ৰাজ্যবাদী নীতিক হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিব বিচাৰিছিল, ই পুঁজিপতিসকলক স্বাভাৱিকতেই বিপাঙত পেলাইছিল আৰু ইয়াৰ সমাধানৰ প্ৰতিটো পথেই আছিল কণ্টকাকীৰ্ণ তথা আত্মঘাটিমূলক। ইয়াৰ প্ৰতিটো সমাধান সূত্ৰতে সাম্ৰাজ্যবাদৰ মৃত্যু ঘণ্টা বাজিছিল। চমুকৈ ক'বলৈ গ'লে উপনিৱেশত সামন্তবাদ জীয়াই থাকিলে উৎপাদিত সামগ্ৰী বিক্ৰী নহয়, আৰু সামন্তবাদ ভাঙি পুঁজিমুখি উৎপাদন সম্পৰ্ক বৃদ্ধি কৰিলে ক্ৰয় ক্ষমতা বৃদ্ধি হৈ বজাৰত বিক্ৰী বৃদ্ধি হয় যদিও ই আকৌ দেশীয় পুঁজিবাদৰ বিকাশ ঘটাই





সাম্ৰাজ্যবাদবিৰোধী প্ৰতিযোগী শক্তিহে অধিক শক্তিশালী হৈ উঠে। সঁচাই নিমিলা অংক, সমাধানহীন প্ৰশ্ন।

ইয়াৰ উপৰি ভূতৰ ওপৰত দানহ পৰিল। বজাৰ দখলৰ স্বাৰ্থতেই অৰ্থাৎ উপনিৱেশ দখলৰ স্বাৰ্থতে সাম্ৰজ্যবাদী শিবিৰৰ মাজত আৰম্ভ হ'ল ইখনৰ পিছত সিখন যুদ্ধ। শোষণৰ স্বাৰ্থত শক্তিশালী কৰা ৰাষ্ট্ৰৰ পুলিচ-মিলিটাৰী আদিক যুদ্ধত শত্ৰুপক্ষক পৰাজিত কৰিবলৈ সজাওঁতে-পৰাওঁতে, যুদ্ধৰ প্ৰস্তুতি তথা যুদ্ধ কৰোতে বজাৰৰ পৰা আহৰণ কৰা গোটেইকেইটা ধনৰ শৰাধ পতাৰ লগে লগে আকাশলংঘী কৰ সংগ্ৰহে খাটিখোৱা জনসাধাৰণৰো ক্ৰয়ক্ষমতা একেবাৰে নিঃশেষ কৰিলে। উপনিৱেশৰ স্বাৰ্থত বিশ্বজুৰি আৰম্ভ হোৱা প্ৰথম মহাসমৰ আৰু দ্বিতীয় মহাসমৰে, যন্ত্ৰশিল্পই আনি দিয়া অৰ্থনীতিৰ নিপাত ঘটালে। পুঁজিবাদৰ দৰ্প চূৰ্ণ হ'ল। পুঁজিবাদৰ মাজত হাহাকাৰ লাগিল। সাম্ৰাজ্যবাদৰ বেলি মাৰ নোযোৱা অৱস্থাই মৃতপ্ৰায় অৱস্থা পালেগৈ। ১৯৩০ চনৰ পৰা ১৯৩৩ চনৰ ভিতৰত গোটেই বিশ্বজুৰি আৰম্ভ হ'ল পুঁজিবাদী অৰ্থনীতিৰ প্ৰকৃতিগত চিৰসত্যৰ বহিঃপ্ৰকাশ 'মহামন্দা'। বজাৰত উৎপাদিত সামগ্ৰীৰে ভৰপূৰ কিন্তু ক্ৰয় ক্ষমতাৰ অভাৱত সামগ্ৰীৰ বিক্ৰী বন্ধ হৈ গ'ল। বিশ্বজুৰি হাহাকাৰ লাগিল। সাম্ৰাজ্যবাদ, পুঁজিবাদৰ প্ৰবক্তাসকলৰ ওঁঠ শুকাই গ'ল।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ কমিউনিষ্টসকলে আনন্দত আত্মহাৰা হৈ পৰিল— এইবাৰ পুঁজিবাদ ধ্বংস হ'ল, মাৰ্ক্সৰ ভৱিষ্যদ্বাণী শুদ্ধ বুলি প্ৰমাণ হ'ল। এতিয়া ঢোল-তাল লৈ সমাজবাদক আদৰি অনাহে কথা। পুঁজিবাদৰ এই সংকটৰ সময়ত সমাজবাদী গৱেষক অৰ্থাৎ দ্বন্দ্ববাদ-বস্তুবাদত বিশ্বাসীসকলে ঘটনাৰ উৎস বিচাৰি নাপালে, অতি দুখৰ বিষয় এইটোহে। পুঁজিবাদে পুঁজিমুখী উৎপাদনী ব্যৱস্থাৰ লগত আওপুৰণি সামন্তীয় সাম্ৰাজ্যবাদী নীতিক বজাৰ দখলৰ মাধ্যম হিচাপে সংমিশ্ৰণ ঘটোৱাৰ ফলতেই পুঁজিবাদ আৰু সামন্তবাদৰ যি সম্পূৰ্ণ বিপৰীতমুখী চৰিত্ৰৰ সংঘাত সংঘটিত হ'ল আৰু ইয়ে যে পুঁজিবাদৰ সন্মুখত ডাঙৰ প্ৰত্যাহ্বান হৈ থিয় দিলে আৰু এই সমস্যাৰ সমাধান ঘটালেই যে পুঁজিবাদে কিছুদিনলৈ আয়ুস পোৱাই নহয় বৰঞ্চ কিছুদিনলৈ শক্তিশালী হৈ উঠিব সেই কথা উপলব্ধি কৰিব নোৱাৰাটো সেই সময়ৰ মাৰ্ক্সবাদীসকলৰ বাবে ডাঙৰ ব্যৰ্থতা। ইয়াৰ ফলতেই পুঁজিবাদৰ প্ৰবক্তাসকলে 'পুঁজিবাদ অবিনশ্বৰ, ই মানৱ সভ্যতাৰ শেষ স্তৰ, ইয়াৰ বিনাশ নাই...' ইত্যাদি মন্ত্ৰ আওৰোৱাৰ সুযোগ পালে।

১৯৩০-৩৩ চনৰ এই সংকট পুঁজিবাদৰ স্বাভাৱিক সংকট নাছিল, ই কেতিয়াও কাৰ্লমাৰ্ক্স নিৰ্দেশিত পুঁজিবাদৰ স্বাভাৱিক সংকট নাছিল। কাৰণ তেতিয়া সমগ্ৰ বিশ্বৰে এক বৃহৎ অঞ্চলৰ প্ৰাকৃতিক সম্পদৰাজী অব্যৱহৃত হৈয়ে আছিল, যাৰ ব্যৱহাৰৰ যোগেদি ক্ৰয়-ক্ষমতা বঢ়াই পুনৰ

স্থিতাৱস্থাক ঘূৰাই আনি বাহাল ৰখাটো পুঁজিবাদী-সাম্ৰাজ্যবাদীসকলৰ বাবে তেনেই সহজসাধ্য আছিল। তাৰবাবে প্ৰয়োজন হৈছিল মাত্ৰ বজাৰকেন্দ্ৰিক নীতি-নিৰ্দেশনাৰ সালসলনিৰ।

পুঁজিবাদৰ এই সংকট মোচনৰ বাবে সেই সময়ত নতুনকৈ পুঁজিবাদী মন্ত্ৰৰে দীক্ষিত হোৱা আৰু বিশেষতঃ মহাসমৰকেইখনৰ পৰা তুলনামূলকভাৱে নিৰাপদ দূৰত্বত অৱস্থান কৰা আমেৰিকাই বিখ্যাত মাৰ্ছাল প্লেন গ্ৰহণ কৰে। বহু কোটি ডলাৰ বাজেটেৰে আৰম্ভ কৰা এই মাৰ্ছাল প্লেনৰ তত্ত্বাৱধানত আৰম্ভ হোৱা গৱেষণাকাৰীয়ে পুঁজিবাদৰ এই সাময়িক সংকট মোচনৰ তাত্ত্বিক ভিত্তি উদ্ভাৱন কৰিবলৈ সমৰ্থ হয়। সাময়িক সংকট মোচনৰ এই তত্ত্ব অনুসৰি উপনিৱেশবিলাকত ক্ৰয় ক্ষমতা বৃদ্ধিৰ বাবে দেশীয় পুঁজিমুখী উৎপাদন প্ৰক্ৰিয়াক উৎসাহ যোগাব লাগে যাতে দেশীয় উৎপাদন ব্যৱস্থাই প্ৰাকৃতিক সম্পদৰ সৎ ব্যৱহাৰৰ যোগেদি ক্ৰয় ক্ষমতা বঢ়াই তুলিব পাৰে আৰু ইয়াৰ বাবে উপনিৱেশবিলাকক স্বাধীনতা প্ৰদান কৰি উপনিৱেশবিলাকৰ মধ্যশ্ৰেণীৰ হাতলৈ ক্ষমতা হস্তান্তৰ কৰিব লাগে আৰু এইক্ষেত্ৰত দেশীয় ৰাষ্ট্ৰই উদ্যোগীৰ ভূমিকা গ্ৰহণ কৰি দেশৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব লাগে। এইক্ষেত্ৰত সাম্ৰাজ্যবাদী শক্তিয়ে ঔপনিৱেশিক দেশখন সাবলৈ হৈ নুঠাপৰ্যন্ত শোষণৰ প্ৰক্ৰিয়া বন্ধ ৰাখিব লাগে। প্ৰয়োজন সাপেক্ষে দেশীয় চৰকাৰে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বাধা নিষেধ আৰোপ কৰিব আৰু এইক্ষেত্ৰত উপনিৱেশবিলাক সাবলৈ কৰি গঢ়ি তোলাৰ স্বাৰ্থত বৃহৎ অংকৰ ধন ধাৰে দিবৰ বাবে IMF বিশ্ববেংক আদিৰ জন্ম দিয়া হ'ল। মুঠৰ ওপৰত আমেৰিকাৰ নেতৃত্বত আৰম্ভ হোৱা এইলানি কৰ্ম আঁচনিৰ অভ্যন্তৰ ভাগ দেখা নাপালে সেইসময়ত আমেৰিকাক বিশ্ব উপনিৱেশৰ ত্ৰাণকৰ্তা যেনেই লাগে। জন মেনাৰ্ড কেইনছ নামৰ অৰ্থনীতিবিদজনৰ এইলানি গৱেষণা পুঁজিবাদৰ বাবে মৃতসঞ্জীৱনীস্বৰূপ, উপনিৱেশবিলাকৰ বাবে বাহ্যিকভাৱে আশাব্যঞ্জক আৰু সামন্তবাদৰ বাবে ক্ষয়ৰোগসদৃশ, সাম্ৰাজ্যবাদৰ বাবে মোট সলাওঁতে লোৱা জিৰণি সদৃশ আৰু দেশী মধ্যবিত্তৰ বাবে অমৃত বিতৰণীৰ নিচিনা। আমেৰিকা কিন্তু ইমানতেই ক্ষান্ত নাথাকিল। কাৰণ আমেৰিকাৰ নব্য পুঁজিবাদী শাসকগোষ্ঠীয়ে জানে যে কালক্ৰমত গোঁজেই গজালি হ'ব। ক্ৰয় ক্ষমতা বৃদ্ধিৰ স্বাৰ্থত আৰম্ভ হোৱা দেশীয় পুঁজিবাদেই এসময়ত আমেৰিকাৰ প্ৰতিযোগী হৈ থিয় দিব। গতিকে কেইনছৰ অৰ্থনৈতিক তথা ৰাজনৈতিক সংস্কাৰৰ নিৰ্দেশাৱলীৰ লগে লগে ১৯৩০ চনত আৰম্ভ কৰিলে GATT চুক্তি অৰ্থাৎ General Agrement on Trade and Tariff, অৰ্থাৎ বিশ্ব বাণিজ্য কেনেকৈ কৰা হ'ব তাৰ নিয়ম প্ৰণালী।

ইয়াৰ যোগেদি আগৰ পোনপটীয়া সাম্ৰাজ্যবাদী শোষণক পৰোক্ষ ৰূপ দিয়া হ'ল। শোষণ প্ৰক্ৰিয়াক বৈধ ৰূপ দি শোষণ নহয় বাণিজ্য লাভহে বুলি চিহ্নিত কৰা হ'ল আৰু এই বিষয়ত যাতে অহেতুক বিতৰ্কৰ সূত্ৰপাত নঘটে তাৰ বাবে এই অধিকাৰ দেশীয় দালালৰূপী চৰকাৰৰ হাতত তুলি দিয়া হ'ল। শোষণ প্ৰক্ৰিয়াক মানি ল'লে দেশীয় চৰকাৰক উপঢৌকন দিয়া হ'ব আৰু মানি নল'লে অৰ্থনৈতিক প্ৰতিবন্ধকতা দিয়া হয়।



এক কথাত ক'বলৈ গ'লে দেশীয় চৰকাৰৰে অধিকাৰ, দেশীয় চৰকাৰেই কৰিব লাগিব, কিন্তু আমেৰিকাই বিচৰাধৰণে কৰিব পাৰিব। কি অবাধ স্বাধীনতা! লাহে লাহে GATT চুক্তিয়ে শোষণৰ সকলো মন্ত্ৰণা সামৰিব নোৱাৰাত ছাৰ আৰ্থাৰ ডাংকেলৰ নেতৃত্বত GATT চুক্তি প্ৰসাৰিত কৰি ডাংকেল প্ৰস্তাৱলৈ পৰ্যবসিত কৰা হ'ল। বুদ্ধিক সম্পদ বুলি ঘোষণা কৰা হ'ল, Pattent Act.ক এই প্ৰস্তাৱতেই আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত কৰা হ'ল। অৰ্থাৎ আমেৰিকাই যদি কোনো বস্তুৰ Pattent লাভ কৰিছে তেন্তে বেলেগ দেশে সেই বস্তু বনাবতো নোৱাৰিবই আনকি সেই জাতীয় বস্তুৰ ওপৰত গৱেষণাও কৰিব নোৱাৰিব। শোষণক বৈধতা প্ৰদান কৰা হ'ল। আগতে কোনোবা এখন দেশৰ উপনিৱেশবিলাক এতিয়া বিশ্বসম্প্ৰদায়ৰ বাবে মুকলি বজাৰত পৰিণত কৰা হ'ল। কোনে কিমান পাৰা লুট কৰা, জোৰ যাৰ মুলুক তাৰ।

এই ডাংকেল প্ৰস্তাৱতেই স্বাক্ষৰ দান কৰি নৰসিংহ ৰাও আৰু মনমোহন সিঙে বিদেশৰ বাবে ভাৰতৰ বজাৰ মুক্ত বুলি ঘোষণা কৰিলে। বিদেশী বিনিয়োগকাৰীৰ ওপৰত আৰোপিত সকলো কৰ-কাটল উঠাই লোৱা হ'ল। ভাৰতৰ মাটি, পানী, বায়ু, আকাশ অৰ্থাৎ সকলো সম্পদৰ ওপৰতে বিদেশী পুঁজিপতি অৰ্থাৎ সাম্ৰাজ্যবাদীসকলৰ অবাধ শোষণ-নিষ্পেষণক ন্যায় নীতি বুলি স্বীকৃতি দিয়া হ'ল আৰু এইক্ষেত্ৰত দেশীয় চৰকাৰে ৰক্ষণাবেক্ষণ দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিলে।

ওপৰোক্ত আলোচনাৰ পৰা স্পষ্টকৈ দেখিবলৈ পালো যে বিশ্বায়ন বা উদাৰীকৰণ যি বুলিয়েই কোৱা নহওক কিয় ই প্ৰকৃততে নব্যৰূপী সাম্ৰ্যবাদী নীতি অৰ্থাৎ আধুনিক সাম্ৰাজ্যবাদী নীতি। পুঁজিবাদক পুৰণি ধৰণৰ সাম্ৰাজ্যবাদী নীতিয়ে ৰক্ষণাবেক্ষণ দিব নোৱাৰাত সাম্ৰাজ্যবাদৰ এই নব্যৰূপ উদ্ভাৱন কৰা হ'ল আৰু ই সাম্ৰাজ্যবাদৰ প্ৰায়বোৰ হ্ৰস্বকালীন দ্বন্দ্বকে মীমাংসা কৰিবলৈ সমৰ্থ হ'ল। ফলত এতিয়া দেশীয় চৰকাৰক হাত কৰি অৰ্থাৎ উপঢৌকন দি আন্তঃৰাষ্ট্ৰীয় বিনিয়োগৰ নামত সাম্ৰাজ্যবাদী শক্তিয়ে সকলো শোষণকে বৈধ আৰু বাধাহীন ৰূপত চলাই যাব পৰা হ'ল। এইক্ষেত্ৰত কিবা হানি-বিঘিনি হ'লে দেশীয় দালাল চৰকাৰে সকলো প্ৰকাৰৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰাত কৃপণালি নকৰে।

এতিয়া আমাৰ মুখ্য আলোচ্য বিষয় হ'ল বিশ্বায়নে

জনগোষ্ঠীবিলাকৰ ওপৰত কিদৰেনো প্ৰভাৱ বিস্তাৰ কৰিছে বা কিদৰে ক্ষতি কৰিছে। অৱশ্যে বিশ্বায়ন বা আধুনিক সাম্ৰাজ্যবাদে এখন দেশৰ কেৱল এটা গোষ্ঠী, গোট বা জাতিকে ক্ষতি নকৰে ই সমগ্ৰ দেশৰ প্ৰতিজন ব্যক্তিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। তথাপি বিষয় অনুসৰি আলোচনা আগবঢ়ালে আমি দেখিবলৈ পাম যে দেশৰ মধ্যশ্ৰেণীয়ে যিহেতু সাম্ৰাজ্যবাদৰ দালালৰ ৰূপত নিজকে অৱস্থান কৰাইছে গতিকে সাম্ৰাজ্যবাদৰ হাতোৰাৰ কোবটো পোনপটীয়াভাৱে পিছপৰা নিম্নবৰ্গৰ মানুহৰ ওপৰতে বেছি সবলভাৱে পৰে। নিম্নবৰ্গৰ মানুহ বুলি কওঁতে আমাৰ ইয়াত সাধাৰণতে জনজাতীয় লোকসকলকে বুজিব পাৰি। অসমত এই জনজাতীয় লোকসকল সাধাৰণতে উৰ্বৰ কৃষিভুমিত, নদী কাষৰীয়া অঞ্চল, পাহাৰ বা পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলতেই বসবাস কৰে। আনহাতে জনজাতীয় ৰাইজৰ মূল জীৱিকাৰ উৎস কৃষি, পশুপালন, মৎস্যপালন ইত্যাদি। ইয়াৰ উপৰি সংখ্যাগতভাৱে সমাজৰ বৃহৎ অংশ হিচাপে এইসকল বজাৰৰ ভাল ক্ৰেতাও। এনে স্থলত জনজাতিসকল সাম্ৰাজ্যবাদৰ কেকোঁৰা- চেপাৰ বাহিৰত নহয়। গতিকে জনগোষ্ঠীৰ ওপৰত সাম্ৰাজ্যবাদী শোষণৰ স্বৰূপ উপলব্ধি কৰিবলৈ বিশেষ কিছুমান বিষয়ৰ ওপৰত আলোচনা কৰা প্ৰয়োজন।

**কৃষি হাইব্ৰিডাইজেশ্যন**

কৃষিৰ হাইব্ৰিডাইজেশ্যন প্ৰক্ৰিয়াৰ যোগেদি কৃষকক পোনপটীয়াভাৱে সাম্ৰাজ্যবাদে নিয়ন্ত্ৰণ কৰিব বিচাৰিছে। এই প্ৰক্ৰিয়াত কৃষকক হাইব্ৰিড সঁচৰ বীজৰ খেতি কৰিবলৈ উৎসাহিত কৰা হৈছে। হাইব্ৰিড সঁচৰ বীজবিলাক পেটেণ্টযুক্ত, অৰ্থাৎ এই সঁচবিলাকৰ ওপৰত কোনো গৱেষণাও কৰিব নোৱাৰি আৰু এনে সঁচ সৃষ্টি কৰিবও নোৱাৰি। এনে সঁচ সংৰক্ষণ বা সৃষ্টি কৰিলে বা ইয়াৰ ওপৰত গৱেষণা কৰিলে আন্তঃৰাষ্ট্ৰীয়ভাৱে দোষী সাব্যস্ত হ'ব। এনে সঁচৰ খেতি কৰিলে তুলনামূলকভাৱে আমাৰ পৰম্পৰাগত সঁচৰ বীজৰ খেতিতকৈ উৎপাদন অধিক হয়। ফলশ্ৰুতিত আমাৰ খেতিয়কসকলেও এনে সঁচৰ প্ৰতি স্বাভাৱিকতেই আকৃষ্ট হৈ পৰিছে। ফলত পৰম্পৰাগত বীজসমূহৰ খেতি কমি আহিছে। লগে লগে গুটিৰ বজাৰখনত নিৰ্দিষ্ট সাম্ৰাজ্যবাদী শক্তিৰ একচেতিয়া অধিকাৰ সাব্যস্ত হ'ব। যিসময়ত পৰম্পৰাগত বীজৰ বিলুপ্তি ঘটিব সেই সময়ত কৃষকসকলে কেৱল বীজৰ বাবেই সাম্ৰাজ্যবাদৰ আঙুলিৰ ঠাৰত নাচিবলৈ বাধ্য হ'ব। অৰ্থাৎ একচেতীয়া বজাৰত মূল্যবৃদ্ধি ঘটিলেও কৃষকে বৰ্ধিত দামতে বীজ ক্ৰয় কৰাৰ বাদে গত্যন্তৰ নাথাকিব। তদুপৰি এনে বীজৰ খেতিত প্ৰয়োগ কৰা সাৰ আৰু ঔষধৰ ওপৰত তেওঁলোকৰ পেটেণ্ট থকাৰ বাবে এইক্ষেত্ৰটো নিৰ্দিষ্ট সাম্ৰাজ্যবাদী শক্তিৰ একচেতীয়া অধিকাৰ



সাব্যস্ত হ'ল। ইয়াৰ অৰ্থ এয়ে যে এটা সময়ত খেতি কৰি আমাক খাদ্য খাবলৈ দিয়া হ'বনে নহয় সেই কথাও পোনপটীয়াভাৱে সাম্ৰাজ্যবাদী শোষকসকলেহে নিৰ্ধাৰণ কৰিব।

আনহাতে সাম্ৰাজ্যবাদীসকলে একঘেয়ামী খেতি কৰাৰ ওপৰতো কৃষকসকলক উৎসাহিত কৰিছে। এনে খেতিৰ বজাৰ ব্যৱস্থা আকৌ পোনপটীয়াভাৱে সাম্ৰাজ্যবাদীসকলৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত নিৰ্ভৰশীল। যিহেতু এনে একঘেয়ামী খেতিৰ বজাৰ স্থানীয়ভাৱে নিৰূপণ কৰিব নোৱাৰি, ইয়াৰ দৰ নিৰূপণেৰে বৃহৎ ব্যৱসায়ীসকলে পোনপটীয়াভাৱে কৰে— এতেকে কৃষক ৰাইজ সাম্ৰাজ্যবাদীসকলৰ আঙুলিৰ ঠাৰত নাচিবলৈ বাধ্য। কৃষি-অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল অসমৰ জনজাতীয় সমাজ এইক্ষেত্ৰত বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হ'ব।

**Integrating Farm (সংযোগী পাম)**

অসমৰ কৃষক ৰাইজৰ অৰ্থনীতিৰ অন্যতম উৎস হৈছে পশুধন। পশুপালন, মীনপালন আদিৰ জৰিয়তে অসমৰ বহু কৃষকে জীৱন নিৰ্বাহ কৰিছে, পেট প্ৰৱৰ্তাইছে। সাম্ৰাজ্যবাদৰ তত্ত্বাৱধানত এতিয়া আৰম্ভ হৈছে Integrating Farm অৰ্থাৎ সংযোগী পাম ব্যৱস্থা। এই ব্যৱস্থাৰ যোগেদি বিশেষ কেইবিধমান হাইব্ৰীড পশু-পক্ষীৰ বৃহৎ বৃহৎ পাম খোলা হৈছে। এই ব্যৱস্থাত বৃহৎ ব্যৱসায়ীসকলে পশুপালনৰ বাবে প্ৰয়োজনীয় পোৱালি, খাদ্য আৰু চিকিৎসা পশুপালকজনৰ ঘৰতে প্ৰদান কৰিব আৰু উৎপাদিত সামগ্ৰীৰ বজাৰো তেওঁলোকেই নিয়ন্ত্ৰণ কৰিব। আমাৰ খেতিয়কজনে এই পশুপালনৰ বাবদ বৃহৎ ব্যৱসায়িক গোষ্ঠীয়ে নিৰূপণ কৰি দিয়া অনুসৰি অতি ন্যূনতম পৰিমাণৰ মাননিহে লাভ কৰিব। আনহাতে ভোগৰ বাবে বজাৰৰ পৰা সামগ্ৰীটো ক্ৰয় কৰোঁতেও পশুপালকজনে বৃহৎ ব্যৱসায়ীসকলে নিৰ্ণয় কৰি দিয়া দৰতহে ক্ৰয় কৰিব লাগিব।

এই ব্যৱস্থাও থলুৱা সঁচৰ পশুপালন প্ৰক্ৰিয়াত অন্তৰায় হিচাপে থিয় দিব আৰু থলুৱা জাতবোৰ নিঃশেষ কৰি সমগ্ৰ পশুপালন ব্যৱস্থা সাম্ৰাজ্যবাদী শক্তিৰ স্বাৰ্থত পৰিচালিত হ'ব। ব্ৰইলাৰ কুকুৰা পালন এই ব্যৱস্থাৰ এক উদাহৰণ হিচাপে ল'ব পাৰি।

এনে প্ৰক্ৰিয়াৰ যোগেদি আমাৰ কৃষক নিজভূমিতদাবী নাইকিয়া পৰমুখাপেক্ষী শ্ৰমিকত পৰিণত হ'ব। আনহাতে শ্ৰমিক হিচাপেও তেওঁ স্বীকৃতি নাপাব বৰঞ্চ পেটে-ভাতে খাই থকা উদ্যোগী বুলিহে পৰিচিত হ'ব, অৰ্থাৎ দিন হাজিৰা কৰি খোৱা মালিকত পৰিণত হ'ব। মৰ্যাদাগত অধিকাৰত ফাৰ্মাৰ অৰ্থাৎ মালিক, অৰ্থনৈতিক অধিকাৰত শ্ৰমিকতকৈ তলৰ। কাৰণ শ্ৰমিকক নিৰাপত্তা দিবলৈ শ্ৰম আইন আছে আৰু এনে মালিকসকলক নিৰাপত্তা দিবলৈ আত্ম-সন্তুষ্টিৰ

বাহিৰে একোৱেই নাথাকিব। এনেধৰণৰ পাম এতিয়া জনগোষ্ঠীবিলাকৰ মাজত আৰম্ভ কৰা হৈছে।

### চেইন পদ্ধতিৰ ব্যৱসায়

এই পদ্ধতিৰ যোগেদি মানুহৰ প্ৰয়োজনীয় সকলো সম্পদ চেইন পদ্ধতিত বিতৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই প্ৰক্ৰিয়াৰ যোগেদি আমাৰ নিবনুৱাসকলক কোটিপতি হোৱাৰ সপোন দেখুৱাই ন্যূনতম অৰ্থনৈতিক সুযোগ-সুবিধা প্ৰদান কৰি বৃহৎ অংকৰ ধন হৰলুকি কৰা হৈছে। এই ব্যৱস্থাত নিজৰ অৱস্থান উন্নত কৰাৰ স্বাৰ্থত ঘৈনিয়েকে গিৰিয়েকৰ পৰা পৰিয়ালৰ অপ্ৰয়োজনীয় সম্পদ কিনিও সাম্ৰাজ্যবাদৰ বজাৰ খৰতকীয়া কৰা দেখা যায়। আনহাতে এই ব্যৱস্থাৰ যোগেদি দোকান-পোহাৰ খুলি জীৱন নিৰ্বাহ কৰা মধ্যৱৰ্তী শ্ৰেণীক কৰ্মহীন তথা দৰিদ্ৰতাৰ মাজলৈ নিক্ষেপিত কৰাৰ সম্ভাৱনাই অধিক। সাম্ৰাজ্যবাদৰ এই নতুন বজাৰ পদ্ধতিত শ্ৰমিকবিহীনভাৱেই বজাৰ চলাই ৰখাৰ নব্য কৌশল ব্যৱহাৰ কৰা হৈছে। অতি পৰিতাপৰ বিষয় এয়ে-যে এজন শ্ৰমিকে আঠ ঘণ্টা শ্ৰম কৰি তেওঁৰ হাজিৰা পায়, কিন্তু এই পদ্ধতিত শ্ৰমৰ সময় চৌৱিশ ঘণ্টাই ধৰা হৈছে— কোটিপতি হোৱাৰ আশাত। অৱশ্যে দুখ লগা কথা এইটোৱেই যে এই পদ্ধতিত প্ৰথমতে যোগ দিয়া দুজনমানৰ বাহিৰে বাকীসকলে ঘৰৰ সাঁচতীয়া পইচা খৰচ কৰা বা সাঁচতীয়া পইচাৰে অনাগতিয়াল বস্তু অধিক দামত কিনাতে ব্যৱসায়ৰ যৱনিকা পৰে। এনেধৰণৰ অগণন কোম্পানীয়ে এতিয়া অসমৰ গাঁৱে-ভুঁই ছানি ধৰা দেখা গৈছে। এই প্ৰক্ৰিয়াবিলাকৰ যোগেদি সাম্ৰাজ্যবাদী শোষণ গাঁৱৰ চুকে-কোণে বিয়পি পৰিছে।

ইয়াৰ উপৰি বৃহৎ জলবিদ্যুৎ উৎপাদন প্ৰকল্প স্থাপন অসমৰ সমগ্ৰ জনসমষ্টিটোৰ বাবেই ভয়ংকৰ বিপজ্জনক হৈ পৰিছে। ইতিমধ্যেই অসম আৰু অৰুণাচল প্ৰদেশত ১৬৮ তাতকৈও অধিক বৃহৎ আৰু মধ্যম জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰা হৈছে। মাল্টিনেশ্যনেল কোম্পানীৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত এই জলবিদ্যুৎ প্ৰকল্পসমূহৰ পৰা অসমৰ ৰাইজে কিমান বৈদ্যুতিক সুবিধা লাভ কৰিব সেয়া চিন্তাৰ বিষয়। কিন্তু এই কথা ঠিক যে এনে প্ৰকল্প নিয়মীয়াকৈ চলাই যাবৰ বাবে যিবিলাক Damp বনোৱা হৈছে ই অসমৰ সাৰুৱা কৃষিভূমিক মৰুভূমিত পৰিণত কৰাৰ সম্ভাৱনাই অধিক। বিশেষতঃ খৰালি কালত প্ৰকল্প চলাই ৰাখিবৰ বাবে নদীৰ পানী Damp (খাদ)বিলাকত সংৰক্ষণ কৰাৰ বাবেই নদীবিলাক শুকাই যাব আৰু মাটিৰ তলৰ পানীৰ স্তৰ বহি যোৱাৰ ফলত পথাৰত খেতি-বাতি কৰা অসম্ভৱ হৈ পৰিব। গছ-বন-পানীৰ অভাৱত শুকাই যাব। ফলত কৃষিভূমি মৰুভূমিলৈ ৰূপান্তৰিত হ'ব। আনহাতে বাৰিষা খাদবিলাকত পানী অধিক হোৱাৰ বাবে খাদৰ পানী নদীলৈ





খুলি দিবলগা হ'ব। ইয়াৰ ফলত বাৰিষা হঠাৎ বান আহি শস্য পথাৰ ধুৱাই নিয়া স্বাভাৱিক ঘটনাত পৰিণত হ'ব। ইয়াৰ উপৰি ভূমিকম্প আদিৰ ফলত খাদবিলাকৰ পাৰ হঠাৎ ভাঙিলে অসমৰ এক বৃহৎ অঞ্চলৰ ৰাইজে বুজি পোৱাৰ আগতেই বানত উটি যাব লগাত পৰিব। মুঠৰ ওপৰত কোম্পানীৰ লাভৰ স্বাৰ্থত অসমৰ কৃষক ৰাইজ তথা গ্ৰাম্যাঞ্চলত বাস কৰা জনজাতিসকলৰ জীৱন হয়তো বিপৰ্যস্ত হৈ পৰিব।

ইয়াৰ উপৰি Assam State water policyৰ যোগেদি বৰ্তমান অসমৰ সমগ্ৰ জলসম্পদ ভাগ বিদেশী কোম্পানীক অৰ্পণ কৰিবলৈ বিচৰা হৈছে। এই পলিচিৰ যোগেদি সমগ্ৰ অসমৰ পানী যোগান আঁচনিখনেই বিদেশী কোম্পানীৰ হাতলৈ গুচি যাব। ইয়াৰ যোগেদি জনসাধাৰণে নিজৰ ঘৰৰ দমকলটোৰে ভূগৰ্ভৰ পৰা আহৰণ কৰা পানীৰ ওপৰতো কোম্পানীক কৰ সংগ্ৰহৰ অধিকাৰ প্ৰদান কৰা হৈছে। ভাৰত তথা অসমৰ দালাল চৰকাৰে সাম্ৰাজ্যবাদী বিদেশী কোম্পানীৰ স্বাৰ্থত দেশৰ সমস্ত প্ৰাকৃতিক সম্পদৰাজীকে বিক্ৰী কৰাৰ যি পৰিকল্পনা কৰিছে ই অসমৰ সমগ্ৰ জনসমষ্টিটোৰ লগতে জনগোষ্ঠীবিলাকক বাটৰ ভিক্ষাৰী কৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে।

### SEZ (Special Economic Zone)

বৰ্তমান সংসদত অতি বিতৰ্কিত বিধেয়কখন হৈছে SEZ (Special Economic Zone) অৰ্থাৎ সাম্ৰাজ্যবাদীসকলে তৃতীয় বিশ্বৰ দেশবিলাকত Special Economic Zone (বিশেষ অৰ্থনৈতিক ক্ষেত্ৰ) প্ৰস্তুতিৰ প্ৰস্তাৱ আগবঢ়াইছে। আমাৰ দেশৰ সাম্ৰাজ্যবাদৰ বহতীয়া চৰকাৰে ইয়াৰ বিধেয়ক সংসদত উত্থাপন কৰিছে। অৰ্থাৎ SEZৰ যোগেদি উৰ্বৰ কৃষিভূমি পোনপটীয়াকৈ সাম্ৰাজ্যবাদী শক্তিৰ হাতত সমৰ্পণ কৰিবলৈ বিচৰা হৈছে। কোনো এটা অঞ্চল SEZৰ যোগেদি সাম্ৰাজ্যবাদক অৰ্পণ কৰাৰ অৰ্থই হৈছে ক্ৰমে সমগ্ৰ কৃষিভূমিকে সাম্ৰাজ্যবাদক গতাই দিয়া। দেশৰ অৰ্থনীতিৰ বিকাশৰ নামত আৰম্ভ কৰা এনেধৰণৰ প্ৰক্ৰিয়াৰে সামগ্ৰিকভাৱে কৃষক সমাজক, মূলতঃ জনজাতীয় অধ্যুষিত অঞ্চলসমূহ পোনপটীয়াকৈ সাম্ৰাজ্যবাদৰ নিয়ন্ত্ৰণলৈ নিব বিচৰা হৈছে। এই বিধেয়ক আইনত পৰিণত হ'লে প্ৰয়োজন সাপেক্ষে উৰ্বৰ কৃষিভূমিত অৱস্থান কৰা জনজাতীয়সকল উচ্ছেদিত হ'বলৈ বেছিপৰৰ আৱশ্যক নহ'ব। 'এদেও দুদেও লুটা নিয়াৰ চেও' SEZ ৰ যোগেদি এদেও দুদেওকৈ দেশীয় সমগ্ৰ সম্পদ সাম্ৰাজ্যবাদৰ নিয়ন্ত্ৰণাধীন হ'ব। এইক্ষেত্ৰত যুক্তি প্ৰদৰ্শন কৰা হৈছে যে বৃহৎ কমিউনিষ্ট দেশ চীনতো Special Economic Zone বনোৱা হৈছিল। কিন্তু এইক্ষেত্ৰত যুক্তিৰ জালিকাৰে সাধাৰণ মানুহৰ চকু চাট মৰোৱা সকলো কথা লুকুৱাই ৰাখে যে চীন এতিয়া

বিশ্ব সম্প্ৰদায়ৰ লগত অৰ্থনৈতিকভাৱে প্ৰতিযোগিতা কৰিব পৰা অৱস্থানত আছে। এনেক্ষেত্ৰত উদাৰীকৰণে চীনৰ অৰ্থনীতিক টনকীয়ালহে কৰিব। কিয়নো চীনৰ অৰ্থনীতি বৰ্তমান প্ৰথম বিশ্বৰ লগত প্ৰতিযোগিতা কৰিব পৰা অৱস্থাত উপনীত হৈছে। এনেক্ষেত্ৰত চীনক দোহাই দি ভাৰতক সাম্ৰাজ্যবাদৰ আধুনিক উপনিৱেশত পৰিণত কৰিবলৈ বিচৰাটো ভাৰতৰ সাম্ৰাজ্যবাদৰ পদলেহনকাৰী দালাল-শাসকৰ দালালীৰ বাহিৰে অন্য একো নহয়।

ইয়াৰ উপৰি আমেৰিকাৰ তত্ত্বাৱধানত জনজাতীয় মানুহৰ জিন সংৰক্ষণ কৰিবলৈ বিচৰা কাৰ্য অসমৰ জনজাতিৰ বাবে সঁচাই মৰ্যাদাগত প্ৰশ্ন। আনহাতে অসমৰ জনজাতীয় সমাজৰ মাজত পৰম্পৰাগতভাৱে চলি অহা ঔষধসমূহ চুৰ কৰি ঔষধৰ গছসমূহ নিজৰ ঠাইত সংৰক্ষণ কৰি পেটেণ্ট কৰিবলৈ বিচৰা কাৰ্যই সাম্ৰাজ্যবাদী শোষণৰ স্বৰূপ উন্মোচন কৰে। উদাহৰণ হিচাপে অসমৰ হালধি পেটেণ্ট কৰিব বিচৰা, পদিনা পেটেণ্ট কৰা, মহা নিম পেটেণ্ট কৰা কাৰ্য আঙুলিয়াই দেখুৱাব পাৰি। এনে ঔষধী গছৰ পেটেণ্ট কৰিলে ঔষধী গছৰ পৰা বন দৰৱ এপালি বনাই খোৱাৰ অধিকাৰকণো হেৰুৱাব লাগিব, বৰঞ্চ বন দৰৱ বনাই-খাই আন্তঃৰাষ্ট্ৰীয় আইনৰ মুখামুখিহে হ'ব লগাত পৰিব। মুঠৰ ওপৰত বিশ্বায়নৰ নামত প্ৰৱেশ কৰা আধুনিক সাম্ৰাজ্যবাদে মাছ বুলি নাখাই জীজী বুলি খোৱাৰ দৰে উৎপাদন আৰু বজাৰৰ প্ৰতিটো দিশতে একচেটীয়া দখল প্ৰতিষ্ঠা কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। গতিকে এনে চেষ্টা প্ৰতিহত কৰিব নোৱাৰিলে আমি অসমৰ জনগোষ্ঠীসমূহে অধিকাৰ বিচাৰি থাকোতেই ভৰিৰ তলৰ মাটিকণৰ অধিকাৰ, উশাহ লোৱাৰ অধিকাৰ, মাটি তলৰ পানীকণ খোৱাৰ অধিকাৰো হেৰুৱাই পেলাব লাগিব।

গতিকে সমগ্ৰ জনগোষ্ঠী সংগঠনেই অধিকাৰ বিচৰা আন্দোলনত সাম্ৰাজ্যবাদক মূল শত্ৰু হিচাপে চিনাক্ত কৰাৰ লগতে সাম্ৰাজ্যবাদৰ বহতীয়া ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে তীব্ৰ জংগী আন্দোলন গঢ়ি তোলাটো অতিকৈ অপৰিহাৰ্য হৈ পৰিছে। ইয়াৰ অন্যথা আমি অনুভৱ কৰাৰ আগতেই এদিন সকলো সম্পদ সাম্ৰাজ্যবাদৰ হস্তগত হ'ব আৰু আমি অধিকাৰহীন বাসিন্দাত পৰিণত হ'ম, য'ত ভাত-কাপোৰৰ বাবে সাম্ৰাজ্যবাদৰ আঙুলিৰ ঠাৰত উঠা-বহা কৰিবলৈ বাধ্য হ'ম।

**শোষণৰ অদৃশ্য হাতৰ পৰশত জনগোষ্ঠী সংঘাতৰ বহিঃপ্ৰকাশ**

আধুনিক সাম্ৰাজ্যবাদী নীতিত প্ৰত্যক্ষভাৱে শোষণকাৰ্য চলোৱা নহয়। ইয়াত শোষণক ন্যায় আৰু নীতি হিচাপে প্ৰতিষ্ঠা কৰি পৰোক্ষভাৱেহে চলোৱা হয়। এইক্ষেত্ৰত আধুনিক সাম্ৰাজ্যবাদে শোষিত দেশৰ ৰাষ্ট্ৰযন্ত্ৰক ব্যৱহাৰ কৰি, ৰাষ্ট্ৰযন্ত্ৰৰ





কেন্দ্ৰীভূত ক্ষমতাৰ যোগেদি শোষণৰ পোহাৰ মেলে। বিভিন্ন Trance Natioal Companyয়ে যেতিয়া কেন্দ্ৰীভূত ৰাষ্ট্ৰৰ যোগেদি অদৃশ্য হাতেৰে শোষণ প্ৰক্ৰিয়া চলাই নিয়ে সেই মুহূৰ্তত দেশখনত বাস কৰা জনসমষ্টিটোৱে সাম্ৰাজ্যবাদৰ শোষণ প্ৰক্ৰিয়াটো অনুধাৱন কৰিব নোৱাৰে, ফলত জনগণৰ সাম্ৰাজ্যবাদৰ লগত কোনো পোনপটীয়া সংঘাতে ক্ৰিয়া নকৰে বৰঞ্চ জনগণৰ সাম্ৰাজ্যবাদবিৰোধী দ্বন্দ্বই জনগণ বনাম কেন্দ্ৰীভূত ৰাষ্ট্ৰযন্ত্ৰৰ ৰূপতহে বহিঃপ্ৰকাশ ঘটে। ফলত ৰাষ্ট্ৰযন্ত্ৰৰ নামতেই সম্পদৰ যেতিয়া হৰলুকি ঘটে তেনে স্থলত বিচ্ছিন্নতাৰ আন্দোলনে মূৰ দাঙি উঠাই স্বাভাৱিক। অসমৰ ক্ষেত্ৰত এই কেন্দ্ৰীভূত ৰাষ্ট্ৰ-ব্যৱস্থাৰ শাসন যিহেতু দিল্লী হৈ দিছপুৰেৰে প্ৰৱেশ কৰিছে, তেনেক্ষেত্ৰত সাম্ৰাজ্যবাদী শোষণৰ প্ৰক্ৰিয়াও দিল্লী হৈ দিছপুৰেৰে প্ৰৱেশ কৰিছে আৰু জনগণৰ স্বাভাৱিক দ্বন্দ্বও দিল্লী-দিছপুৰমুখী হোৱাই স্বাভাৱিক। ইয়াৰ ফলতে জাতিয়তাবাদী আন্দোলনৰ ধাৰাই দিল্লীৰ লগত অৰ্থাৎ কেন্দ্ৰৰ লগত সংঘাত কৰাৰ লগে লগে জনগোষ্ঠীয় আন্দোলনৰ ধাৰাই দিছপুৰৰ লগত সংঘাত অব্যাহত ৰাখিব বিচাৰে। এইটোৱেই হৈছে অসমৰ জাতি জনগোষ্ঠীৰ সংগ্ৰামৰ মাজত আন্তঃনিহিত হৈ থকা স্বাভাৱিক দ্বন্দ্ব। সম্পদ শোষণৰ ফলত এই সৃষ্টি হোৱা স্বাভাৱিক দ্বন্দ্বই যিহেতু মূল শত্ৰুক পোনপটীয়াকৈ চিনাক্ত কৰিব নোৱাৰে অৰ্থাৎ মূল শত্ৰু অদৃশ্য হৈ থাকে তেনেস্থলত জাতি-জনগোষ্ঠীৰ নেতৃত্বৰ দূৰদৰ্শীতাৰ অভাৱত বহু মুহূৰ্তত জাতি-জনগোষ্ঠীবোৰে নিজৰ মাজতেই সংঘাতময় পৰিৱেশৰ সৃষ্টি কৰে আৰু নিজৰ বিনাশ নিজেই মাতি আনে। সাম্ৰাজ্যবাদৰ অদৃশ্য হাতৰ পৰশত লুণ্ঠিত হোৱা জাতি-জনগোষ্ঠীবিলাকে শত্ৰু চিনাক্ত কৰিব নোৱাৰি নিজৰ বিনাশ মাতি অনা ঘটনা অসমৰ ইতিহাসত দৈনন্দিন ঘটনাত পৰিণত হৈছে আৰু প্ৰকাৰান্তৰে ই সাম্ৰাজ্যবাদৰ হাতহে শক্তিশালী কৰিছে। গতিকে আধুনিক সাম্ৰাজ্যবাদী অদৃশ্য শোষণে বহু সময়ত জাতি-জনগোষ্ঠীসমূহৰ মাজত সন্দেহ আৰু সংঘাতৰ কাৰণ হৈ উঠিছে আৰু নিজৰে বিনাশৰ বাট প্ৰশস্ত কৰি তুলিছে। এনেক্ষেত্ৰত সকলো জাতি-জনগোষ্ঠীয়েই আধুনিক সাম্ৰাজ্যবাদৰ শোষণৰ প্ৰকৃত পদ্ধতি অনুধাৱন কৰাৰ লগতে ইয়াৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হোৱাৰ বাহিৰে অন্য গত্যন্তৰ নাই। সাম্ৰাজ্যবাদী শোষণ প্ৰতিহত নকৰাপৰ্যন্ত জাতি-জনগোষ্ঠীবিলাকৰ ওপৰত চলি থকা শোষণৰো অন্ত নপৰিব আৰু অদৃশ্য শোষণৰ ফলশ্ৰুতিত জাতি-জনগোষ্ঠীৰ মাজত সন্দেহ আৰু সংঘাতৰো অৱসান নঘটিব।

গতিকে জনগোষ্ঠীয় সংকট মোচনৰ স্বাৰ্থত বিশ্বায়নৰূপী আধুনিক সম্ৰাজ্যবাদবিৰোধী সংগ্ৰাম বিকশাই তোলা সকলো জনগোষ্ঠীৰ আশু কৰ্তব্য।

## বিদ্যালয় সমূহক পৃথকিকৰণঃ

বিদ্যালয় সমূহক পৃথকিকৰণ ব্যৱস্থাৱে বৰ্তমান প্ৰচলিত শিক্ষা ক্ষেত্ৰখনক অৰাজকতাৰ সৃষ্টি কৰিছে। অসম চৰকাৰে জনগোষ্ঠী, ঠাইভেদে বিদ্যালয় সমূহক শ্ৰেণী বিভাজন প্ৰক্ৰীয়াই সৰ্বহাৰা অৱলা শিশু সকলকো হীন মান্যতাই প্ৰকৃত শিক্ষা ব্যৱস্থাটোৰ পৰা বঞ্চিত কৰি ৰাখিছে। চৰকাৰ নাইবা সাম্ৰাজ্যবাদীৰ মনস্তাত্বিক কুট কৌশল অৱলম্বনে সৰ্বসাধাৰণ শিশু সকলক ভাৱবাদী, মানসিকতা তথাকথিত অচলাৱস্থাক আকৌ সমাজত উদাৰতা চৰিত্ৰৱে হেঙাৰ হিচাপত থিয় দিয়া চেষ্টা কৰে।

দৃশ্যপটত দেখা যায় যে, প্ৰাদেশীকৃত বিদ্যালয়বোৰক দায়িত্বনুই কৰিব নোৱাৰি বৰ্তমানে প্ৰয়োজন হোৱাকৈ বিদ্যালয় গৃহ নিৰ্মাণ কৰি পাঠদানৰ যাৱতীয় সা-সজুলি আৰু শিক্ষন-শিকন অধঃসামগ্ৰী যোগান ধৰিছে। কিন্তু অপ্ৰাদেশীকৃত বিদ্যালয় সমূহ প্ৰায় জৰাজীৰ্ণ বিদ্যালয় গৃহ, শিক্ষণ-শিকন সা-সামগ্ৰী, ডেস্ক-বেঞ্চৰ অভাৱ। সবাতোকৈ পৰিতাপৰ বিষয়যে সঠিক সময়ত চৰকাৰে বিনামূলীয়া পাঠ্য-পুথি বিতৰণতো সেমাহি কৰা দেখা গৈছে। এনেয়ে দৰিদ্ৰ আকৌ বিদ্যালয় পাঠ্য-পুথি বজাৰৰ দৰত কিনিবলৈ কোনে বাধ্য কৰাইছে ইয়াৰ বিতৰ্কৰ অৱকাশ নাই।

ৰাইজৰ প্ৰয়োজন সাপেক্ষে গঢ়িলোৱা শিক্ষানুষ্ঠান সমূহক আজি ২৮টা বৰ্ষ অতিবাহিত কৰাৰ পাছতো পৰ্য্যায় ক্ৰমে প্ৰাদেশীকৰণ নকৰাটো বিচাৰ্য্য বিষয় হৈ পৰিছে। অবৈতনিক ভাৱে অৱশৰ লোৱা আৰু হতাশাগ্ৰস্থ শিক্ষকে বেতন নাপাই আত্মহননৰ পথ বাচি লোৱা উদাহৰণ সংবাদ পত্ৰত মাজ পৃষ্ঠাত সৰুকৈ একলম লিখা দেখা যায়। স্বাধীন গণতান্ত্ৰিক ৰাজ্যৰ চৰকাৰৰ নীতি আইনক হেও মানি থাকিবলৈ বাধ্যকৰোৱা সৰ্ব-সাধাৰণ শোষিত, নিস্পেষিত, বঞ্চিত জনসাধাৰণক প্ৰতিফল জনজীৱনত এই দৰে প্ৰত্যাশিত কৰিছে। স্পষ্ট প্ৰমাণ কৰিব পাৰি যে অপ্ৰাদেশিকৃত ছাত্ৰ সকলক আৰু শিক্ষক সকলক বিভাজন প্ৰক্ৰিয়াই প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰিছে ৰাজ্য দ্বি-নাগৰিকত্ব হিচাপে। আমোলা সকলৰ ৮ স্বাৰ্থ চৰিত্ৰ পৰ্য্যালোচনা কৰিলে পাওঁ যে, চহৰ অঞ্চলৰ বিদ্যালয় সমূহত পূৰ্ণাঙ্গ শ্ৰেণীভিত্তিত শ্ৰেণীকোঠা আৰু শ্ৰেণী ভিত্তিত নিয়মিত শিক্ষকৰ পাঠদান ব্যৱস্থা আছে। কিন্তু গাৱঁৰ অঞ্চলৰ বিদ্যালয় সমূহৰ শিক্ষকৰ অভাৱ আৰু অপ্ৰাদেশিকৃত বোৰত শ্ৰেণী কোঠাৰ অভাৱ।





## অবৈধ শিক্ষক নিযুক্তি আৰু বিদ্যালয়ত শিক্ষকৰ পদ খালীঃ-

অসমৰ এনে এটা স্তৰ নাই যত দূৰ্নীতিয়ে প্ৰৱেশ কৰা নাই। চৰকাৰৰ সংশ্লিষ্ট বিষয়া দূৰ্নীতিৰ বাবে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অবাধ বেমেজালি দেখা দিছে। উচ্চ ন্যায়ালয়ত নিযুক্তি প্ৰক্ৰিয়া বন্ধ হৈ থকাৰ অৱস্থাটো অবৈধ শিক্ষক নিযুক্তি মাজে সময়ে অনিয়ম হোৱা প্ৰমাণ পোৱা যায়। নকল কৰি মেট্ৰিক পাছ কৰি টকাৰে চাকৰি কিনা অনভিজ্ঞ বহু শিক্ষকে স্পষ্টকৈ পাঠদানৰ ক্ষেত্ৰত অপ্ৰৱাণ হৈছে। উদ্দিগ্নতাৰ বিষয় যে, লাখ লাখ প্ৰাৰ্থীৰ সাক্ষাৎ লোৱাৰ পাছতো অভিজ্ঞতা অসম্পূৰ্ণ শিক্ষকহে নিৰ্বাচিত হোৱাটো দূৰ্নীতিকাৰী সফল হোৱাটো সুচাইচে। ন্যায়ালয়ত চলি থকা কেইটামান গোচৰৰ বাবে শিক্ষক নিযুক্তি প্ৰক্ৰিয়া বন্ধ হৈ থকা বুলি অজুহাত প্ৰদৰ্শন কৰি আহিছে যদিও বিগত বৰ্ষটোত এই গোচৰ নিস্পত্তি কৰাৰ ক্ষেত্ৰত বিশেষ ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ নকৰিলে। আনহাতে ড্ৰপড শিক্ষক আৰু অ.বি.বি. শিক্ষকসকলক বহু সময়ত চাকৰি নিয়মিয়া কৰণৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছতো চৰকাৰে সিদ্ধান্ত নোলোৱাটো বিচাৰ্য্য বিষয় । শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে প্ৰায় দুবছৰ আগতে জাৰি কৰা স্থগিতা অব্যাহত থাকিল। তথ্য পোৱামতে অসমৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰায় ৫ হেজাৰ, মজলীয়া আৰু মধ্য ইংৰাজী বিদ্যালয়ত প্ৰায় তিনি হাজাৰ শিক্ষক খালী পদৰ বিপৰীতে লাখ লাখ প্ৰাৰ্থীৰ সাক্ষাতকাৰ জিলা ভিত্তিত অনুষ্ঠিত কৰা হৈছিল। ২০০৫ বৰ্ষৰ শেষ ভাগত এই সাক্ষাতকাৰ অনুষ্ঠিত কৰাৰ পাছতো অ.বি.বি. শিক্ষক সকলৰ অইনী প্ৰত্যাহ্বানৰ বাবেই চৰকাৰে আজি পৰ্য্যন্ত এই নিযুক্তি সম্পন্ন কৰিব পৰা নাই। আনহাতে ৰাজ্যত খালী হৈ থকা প্ৰায় ৫ হেজাৰ হাইস্কুল শিক্ষকৰ পদৰ বিপৰীত চৰকাৰে ২০০৫ চনৰ মাজ ভাগত প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ আহ্বান কৰে যদিও একাংশ ড্ৰপড শিক্ষকৰ আইনী প্ৰত্যাহ্বানৰ বাবে সেই ক্ষেত্ৰত থমকি ৰব লগা হ'ল চৰকাৰে। আচৰ্য্যজনক কথাযে বহুত শিক্ষকৰ অভাৱৰ বাবে ছাত্ৰ-ছাত্ৰীক যথাসময়ত উপযুক্ত শিক্ষাৰে প্ৰতিভাবিকাশৰ ক্ষেত্ৰত ক্ষীণমান হলেও প্ৰভাৱ পেলাইছে।

ব্যক্তিগত খণ্ডত বিদ্যালয়ত শাৰীৰিক, মানসিক, কলা শিক্ষাৰ নৈতিকতাৰে আধ্যাত্মিক শিক্ষাৰ ক্ষেত্ৰত অৰিহণা যোগায় আহিছে যদিও অত্যাধিক আৰ্থিক ব্যয় বহুল হোৱাৰ বাবে সৰ্বসাধাৰণ দৰিদ্ৰ শ্ৰেণী ছাত্ৰ সকল বঞ্চিত হ'ব লগা হৈছে। অসমৰ অধিকাংশ মানুহে যিহেতু দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰে। তেনে ছাত্ৰৰ ইচ্ছা থকা স্বত্তেও আৰ্থিক দুৰ্বলতাৰ বাবে উৎকৃষ্ট মানৰ ব্যক্তিগত খণ্ডৰ শিক্ষাৰ পৰা বঞ্চিত হৈছে। তেতিয়াহলে দেখা গৈছে দৰিদ্ৰ সমাজত ব্যক্তিগত বিদ্যালয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। প্ৰাদেশিকৃত বিদ্যালয়ৰ বহু ছাত্ৰ এৰি আহি ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত যোগদান কৰি সবল কৰি তোলাৰ বিপৰীতে বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী কমি গৈছে। ছাত্ৰ সকলক বিভাজন কৰাই এই বিদ্যালয়ৰ এটা প্ৰক্ৰিয়া ।

**অবননীয় শিক্ষা ব্যৱস্থা পৰিৱৰ্তনৰ অভিভাৱক আৰু গণ সংগঠনৰ দায়িত্ব ঃ-**

এখন উন্নত, সমৃদ্ধিশালী আৰু শান্তি সমাজ পৰিবেশ গঢ়ি তুলিবলৈ হ'লে দেশৰ প্ৰত্যেক জন জন-সাধাৰণে সম অধিকাৰে সুস্পষ্ট শিক্ষাৰে শিক্ষিত হোৱাটো বাঞ্চনিয় । সংখ্যাগৰিষ্ঠ জনসাধাৰণ যদি সুশিক্ষিত নহয় তেন্তে এখন গণতন্ত্ৰ দেশত প্ৰশাসনিক, ৰাজনৈতিক, আৰ্থসামাজিক দিশত কেতিয়াও সুচল নহয়। ছাত্ৰ-ছাত্ৰীৰ আনুষ্ঠানিক শিক্ষা অহৰণত অভিভাৱক আৰু সমাজৰ যুৰচামে গুৰুত্ব দিয়াটো অপৰিহাৰ্য । সম্প্ৰতিক প্ৰতিযোগিতামূলক শিক্ষাৰ ক্ষেত্ৰত সমাজৰ প্ৰত্যেক জন অভিভাৱকেই সময়ৰ মূল্যত সুষ্ঠ পৰিবেশ ও অধ্যয়নৰ সুযোগ লাভ কৰিব লাগিব। চৰকাৰে শিক্ষাৰ প্ৰতি অৱহেলা কৰাটো অতি পৰিতাপৰ বিষয় যদিও ৰাইজে সমস্যা সমূহ বিশ্লেষণ কৰি সমাধানৰ পথ নিৰ্ণয় নকৰাটো সমানে পৰিতাপৰ বিষয়। শিক্ষকে নিচাযুক্ত দ্ৰব্য পান কৰি পাঠদান কৰা, সময়ত শ্ৰেণীত উপস্থিত নথাকা, অধিক মাচুল সংগ্ৰহ কৰা আদিৰ ক্ষেত্ৰত ৰাইজৰ প্ৰতিবাদ নিতান্তই প্ৰয়োজন। সংস্থাপনহীনতা, বিভাজিত শিক্ষা ব্যৱস্থা আৰু শিক্ষাৰ প্ৰতি চৰকাৰৰ অনীহা থকা বিষয় সমূহ বিতং মুকলি আলোচনাৰ জৰিয়তে সমাধানৰ পথ বিশ্লেষণ কৰি আজি ছাত্ৰ-সংগঠন, বুদ্ধিজীৱি, সাহিত্য সভাৰ দৰে, বৃহৎ সংগঠন সমূহে উদ্যোগ লোৱা পৰিলক্ষিত হোৱা দেখা নাযায়। বহু সময়ত ছাত্ৰনেতা সকলে অনুগত্য এনে কেঁচা মন্তব্য আগবঢ়াই শুনিলে লাজত তলমূৰ কৰাৰ বাহিৰে উপায় নাথাকে। ছাত্ৰ সমাজ যিহেতু সমাজৰ এটা অভিন্ন অংগ সেয়ে তেওঁলোকে সমাজৰ সমস্যা সমূহৰ ওপৰত গুৰুত্ব দিয়াটো প্ৰয়োজন।***





**অসম সৰ্ব শিক্ষা মিছন আৰু ব্যক্তিগত খণ্ড বিদ্যালয়ৰ শিক্ষা জগতত প্ৰভাৱঃ-**

বিশ্ব বেংকৰ কোটি কোটি টকা ঋণেৰে অসমত কল্যাণৰ নামত সাৰ্বজনীন কৰণ উদ্দেশ্যে অসম সৰ্ব শিক্ষা অভিযান মিছনে তুলনামূলক আঁচনিৰ পাতনি মেলিছে। সমাজৰ প্ৰতি গৰাকী শিশু শিক্ষিত হ'ব আৰু প্ৰতিগৰাকী শিশু বিদ্যালয়লৈ যাব। এই সংকল্প প্ৰস্তুতিৰে বৰ্তমান অসমৰ চুকে কোনে শিক্ষা নিশ্চিত কৰণ আঁচনি কেন্দ্ৰ (EGS) হাউটুৰিছ কেন্দ্ৰ (H.T.R.), আৱাসিক হেতু বন্ধন পাঠ্যক্ৰম কেন্দ্ৰ (R.B.C.), সংযোগী শিক্ষা কেন্দ্ৰ (S.S.K.), অঙ্গনবাদী/ আই চি. ডি. এছ কেন্দ্ৰ (Anganwadi/ICDS Centre), বাধাগ্ৰস্ত শিশুৰ বাবে সমন্বিত শিক্ষা প্ৰস্তুতি কেন্দ্ৰ (IED) আদি তথাকথিত, শিক্ষা ব্যৱস্থাই সৰ্ব সাধাৰণ জনসাধাৰণৰ মাজত জালিয়তিৰ প্ৰভাৱ পেলাইছে। শিক্ষা সাৰ্বজনীন কৰণৰ নামত বিভাগীয় দায়িত্বত থকা সকলে বৃহৎ টকা আত্মসাৎ কৰাৰ লগতে এটা শ্ৰেণীৰ ছাত্ৰ সকলক সাক্ষৰকাৰী আৰু আবৃত্তিমূলক শিক্ষাৰ বাবে উন্নতি নাই।

বৃটিছ সকলে আমাৰ দেশত আধুনিক শিক্ষাৰ প্ৰৱৰ্তন কৰিলে সঁচা কৰিলে কিন্তু সেই শিক্ষাৰ উদ্দেশ্য হ'ল অৰ্থকাৰী। পুঁজিবাদৰ তীব্ৰগতিত শোষন কৰিবৰ বাবে সুবিধাহোৱাকৈ মহৰি-কেৰানী-কৰ্মচাৰী তৈয়াৰী কৰিবৰ বাবে আনুষ্ঠানিক শিক্ষা বাহাল ৰাখিছে। যাৰ উদ্দেশ্য ধৰ্মী নাছিল ভাৰতীয় জনসাধাৰণক আধুনিক শিক্ষাৰে সুশিক্ষিত আৰু সচেতন কৰি তোলা। বহু পত্যাশিতৰ অন্তত ভাৰত তথা অসম স্বাধীন হ'ল কিন্তু পৰাধীন অৱস্থাত শিপাই যোৱা দুৰ্নীতি আঁতৰি নগল । সেয়ে সম্প্ৰতিক সময়ত অসমত শিক্ষানুষ্ঠান সমূহে শিক্ষিত নিৱনুৱাৰ উৎপাদন কৰাৰ কাৰখানালৈ ৰূপান্তৰিত হৈছে। প্ৰতি বছৰে লাখ লাখ নিবনুৱা উৎপাদিত হৈছে কিন্তু সামগ্ৰিক সঠিক ব্যৱহাৰৰ দিশত অৱহেলাৰ বাবে নিৱনুৱাৰ তালিকা বৃদ্ধি পাইছে। গতানুগতিক পুৰণিকলীয়া ভাৱবাদী শিক্ষানীতি, আবৃত্তি মূলক পাঠ্য-পুথি শিক্ষন-শিকন, পৰীক্ষামূখী পদ্ধতি, মৌখিক অনুশীলন, কৰ্মমুখী নৈতিক নিয়মানুৱৰ্ত্তীতা আৰু কলা শিক্ষাৰ অভাৱ আদিয়ে হৈছে বৰ্তমান স্বাধীন গণতন্ত্ৰ দেশৰ প্ৰচলিত শিক্ষা জগতৰ বৃহত বৈশিষ্ট্য।

ব্যক্তিগত খণ্ডত বিদ্যালয়ত শাৰীৰিক, মানসিক, কলা শিক্ষাৰ নৈতিকতাৰে আধ্যাত্মিক শিক্ষাৰ ক্ষেত্ৰত অৰিহণা যোগায় আহিছে যদিও অত্যাধিক আৰ্থিক ব্যয় বহুল হোৱাৰ বাবে সৰ্বসাধাৰণ দৰিদ্ৰ শ্ৰেণী ছাত্ৰ সকল বঞ্চিত হ'ব লগা হৈছে। অসমৰ অধিকাংশ মানুহে যিহেতু দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰে। তেনে ছাত্ৰৰ ইচ্ছা থকা স্বত্তেও আৰ্থিক দুৰ্বলতাৰ বাবে উৎকৃষ্ট মানৰ ব্যক্তিগত খণ্ডৰ শিক্ষাৰ পৰা বঞ্চিত হৈছে। তেতিয়াহলে দেখা গৈছে দৰিদ্ৰ সমাজত ব্যক্তিগত বিদ্যালয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। প্ৰাদেশিকৃত বিদ্যালয়ৰ বহু ছাত্ৰ এৰি আহি ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত যোগদান কৰি সৱল কৰি তোলাৰ বিপৰিতে বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী কমি গৈছে। ছাত্ৰ সকলক বিভাজন কৰাই এই বিদ্যালয়ৰ এটা প্ৰক্ৰিয়া ।অবননীয় শিক্ষা ব্যৱস্থা পৰিৱৰ্তনৰ

**অভিবাৱক আৰু গণ সংগঠনৰ দায়িত্ব ঃ-**

এখন উন্নত, সমৃদ্ধিশালী আৰু শান্তি সমাজ পৰিবেশ গঢ়ি তুলিবলৈ হ'লে দেশৰ প্ৰত্যেক জন জন সাধাৰণে সম অধিকাৰে সুস্পষ্ট শিক্ষাৰে শিক্ষিত হোৱাটো বাঞ্চনিয় । সংখ্যাগৰিষ্ঠ জনসাধাৰণ যদি সুশিক্ষিত নহয় তেন্তে এখন গণতন্ত্ৰ দেশত প্ৰশাসনিক, ৰাজনৈতিক, আৰ্থসামাজিক দিশত কেতিয়াও সুচল নহয়। ছাত্ৰ-ছাত্ৰীৰ আনুষ্ঠানিক শিক্ষা অহৰণত অভিভাৱক আৰু সমাজৰ বুৰচামে গুৰুত্ব দিয়াটো অপৰিহাৰ্য । সম্প্ৰতিক প্ৰতিযোগিতামূলক শিক্ষাৰ ক্ষেত্ৰত সমাজৰ প্ৰত্যেক জন অভিভাৱকেই সময়ৰ মূল্যত সুষ্ঠ পৰিবেশ ও অধ্যয়নৰ সুযোগ লাভ কৰিব লাগিব। চৰকাৰে শিক্ষাৰ প্ৰতি অৱহোলা কৰাটো অতি পৰিতাপৰ বিষয় যদিও ৰাইজে সমস্যা সমূহ বিশ্লেষণ কৰি সমাধানৰ পথ নিৰ্নয় নকৰাটো সমানে পৰিতাপৰ বিষয়। শিক্ষকে নিচাযুক্ত দ্ৰব্য পান কৰি পাঠদান কৰা, সময়ত শ্ৰেণীত উপস্থিত নথাকা, অধিক মাচুল সংগ্ৰহ কৰা আদিৰ ক্ষেত্ৰত ৰাইজৰ প্ৰতিবাদ নিতান্তই প্ৰয়োজন। সংস্থাপনহীনতা, বিভাজিত শিক্ষা ব্যৱস্থা আৰু শিক্ষাৰ প্ৰতি চৰকাৰৰ অনীহা থকা বিষয় সমূহ বিতং মুকলি আলোচনাৰ জৰিয়তে সমাধানৰ পথ বিশ্লেষণ কৰি আজি ছাত্ৰ-সংগঠন, বুদ্ধিজীৱি, সাহিত্য সভাৰ দৰে, বৃহৎ সংগঠন সমূহে উদ্যোগ লোৱা পৰিলক্ষিত হোৱা দেখা নাযায়। বহু সময়ত ছাত্ৰ নেতা সকলে অনুগত্য এনে কেচাঁ মন্তব্য আগবঢ়াই শুনিলে লাজত তলমূৰ কাৰাৰ বাহিৰে উপায় নাথাকে। ছাত্ৰ সমাজ যিহেতু সমাজৰ এটা অভিন্ন অংগ হিচাপে তেওঁলোকে সমাজৰ সমস্যা সমূহৰ ওপৰত গুৰুত্ব দিয়াটো প্ৰয়োজন।□□



প্ৰবন্ধ

# অসমৰ বান নিয়ন্ত্ৰণ ঃঃ চৰকাৰৰ দায়িত্ব আৰু ভূমিকা এক প্ৰাসংগিক আলচ

□ শ্ৰী ৰঞ্জণ মৰান
সাংগঠনিক সম্পাদক, এছীয়, কেন্দ্ৰীয়

এখন ৰাজ্য বা দেশৰ সামগ্ৰিক উন্নয়নৰ কাৰণে প্ৰয়োজনীয় আন্তঃগাঠনি সৃষ্টি কৰি তাক বিকশিত ৰূপত আগবঢ়াই নিবই লাগিব। অন্যথা উন্নয়ন অসম্ভৱ। অসম এখন কৃষি প্ৰধান ৰাজ্য যদিও ইয়াত সময়োপযোগী সুষ্ঠ আঁচনি তথা প্ৰয়োজনীয় আন্তঃগাঠনি সঠিক দিশত প্ৰয়োগ নঘটাৰ বাবে উন্নয়ন হোৱা নাই। ই চিৰ সত্য । বাস্তৱত কোনো সুসংহত আঁচনি নথকাৰ বাবে অসমৰ এটা বহু পুৰণি আহুকলীয়া প্ৰশ্ন 'বানপানী সমস্যা' আজিও অসমবাসীৰ বাবে অভিশাপ হৈ আছে। ৰাজ্যখন কৃষিৰ ওপৰত নিৰ্ভৰশীল যদিও উন্নতিৰ বাবে প্ৰয়োজনীয় আন্তঃগাঠনি আজিও সৃষ্টি কৰা নহ'ল। প্ৰতি বছৰে প্ৰলয়ংকাৰী ৰূপ ধাৰণ কৰা বানপানীয়ে অসমৰ এক বৃহৎ পৰিমাণৰ শস্যৰ লগতে জীৱজন্তুৰ (পশুধন) আৰু মানৱ সম্পদৰ ক্ষতি সাধন হয় যদিও লুইতৰ এই বিধংশী বলিয়া বানক নিয়ন্ত্ৰন কৰাৰ বাবে কেন্দ্ৰীয় ৰাজ্য উভয় চৰকাৰে আজিকোপতি কোনো বিজ্ঞান সন্মত ব্যৱস্থা গ্ৰহণ নকৰিলে। সময়োপযোগী বিজ্ঞান সন্মত প্ৰতিৰোধ ব্যৱস্থা গঢ়ি তুলিব নোৱাৰাৰ ফলত বানপানী, গড়াখহনীয়াই আজি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। যাৰ ফলত লুইতৰ দুয়োটা উপত্যকাত ইয়াৰ নৈ, উপনৈ সমূহে প্ৰতি বছৰে লাখ লাখ একৰ মাটি বালিৰে পুতি কৃষিৰ অনুপযোগী কৰি তুলিছে। তাৰ ওপৰিও বানপানীৰ ধ্বংশলীলাৰ ফলত অসমৰ লখিমপুৰ, ধেমাজী, ঢকুৱাখানা, জোনাই আদি অঞ্চল সমূহ প্লাৱিত হোৱাত মানুহৰ স্বাভাৱিক জীৱন যাত্ৰাত ব্যাঘাট জন্মায়। অসমৰ দৰে এখন সম্পদেৰে সমৃদ্ধিশালী ৰাজ্যত এখন মেগা আঁচনিৰ জৰিয়তে (বহুমুখী) বান সমস্যাটো স্থায়ী সমাধান কৰিলে শস্য শ্যামলা ৰাজ্য ৰূপে বিকশিত হৈ অৰ্থনৈতিক ভাৱে এখন উন্নত ৰাজ্যৰ মৰ্য্যাদা লাভ কৰিব।

অসমৰ বানপানীত যোৱা ২০০৬-০৭ বৰ্ষত বানপানীয়ে প্ৰায় ২৭ খন জিলাতে বানে বিস্তৰ ক্ষতি সাধন কৰিছে। ১৩০ লাখ বিঘা মাটিৰ খেতি উচন হ'ল। প্ৰায় ৫৫ লাখ লোক গৃহহাৰা হৈছে। অসমৰ লগতে ভাৰতৰ বানত প্ৰাণহানি হোৱা লোকৰ সংখ্যা শতাধিক। তাৰোপৰিও ৪৩ লাখ পশুধনৰ ক্ষতি সাধন হৈছে। নদীৰ গতিৰ লগত সামঞ্জস্য নৰখাকৈ অবৈজ্ঞানিক ভাৱে নিৰ্মান কৰা মথাউৰি বাৰিষা লুইতৰ নৈ-উপনৈ সমূহৰ বলিয়া বানৰ প্ৰকোপত শতাধিক ঠাইত মথাউৰি চিগিপৰাৰ ফলত ৰাজ্য খনৰ শিশু-নাৰীকে ধৰি প্ৰায় তিনি শতাধিক লোক মৃত্যু মুখত পৰিল। সম্পত্তিৰ হিচাপত মুঠ ক্ষয় ক্ষতিৰ পৰিমাণ হ'ল প্ৰায় বিশ হাজাৰ কোটি টকা। এক কোটি বিশ লাখ লোক বানত সৰ্বস্বান্ত হোৱাৰ পাছত কেন্দ্ৰীয় ৰাজ্য উভয় চৰকাৰৰ যি ভূমিকা দেখিলো তাত আমি মুঠেই সন্তুষ্ট নহয় । ৰাজ্য চৰকাৰে ১৯,৩৭,০০,০০০ টকা বান সাহাৰ্য্য ঘোষনা কৰিছিল আৰু প্লাৱিত অঞ্চলৰ বানে ক্ষতি কৰা প্ৰতি হেক্টৰ কৃষি ভূমিৰ বাবে ৬ হাজাৰকৈ বান সাহাৰ্য্য দিয়াৰ কথাও সদৰি কৰিছিল। কিন্তু বান সাহাৰ্য্য আৰু পূৰ্ণ বাসনৰ নামত অহা বাজেটৰ হাজাৰ কোটি টকাৰ নাম মাত্ৰ ব্যৱহাৰ কৰি বান নিয়ন্ত্ৰণ বিভাগটো উচ্চ পদস্থ বিষয়া কৰ্মচাৰীৰে মিলি মন্ত্ৰী-আমোলা, ঠিকাদাৰ আৰু এচাম মধ্য ভোগী দালালে লগ লাগি যি খন নাটকৰ ৰচনা কৰিলে তাক কোনো সচেতন লোকে আন্তৰিকতাৰে সমৰ্থন দিব নোৱাৰে। অসমৰ বান পানীৰ সমস্যাটো বহু পুৰণী সমস্যা যিটো চৰকাৰে স্বইচ্ছাই সমাধান নকৰাকৈ জীয়াই ৰাখিছে আৰু যোৱা সময় চোৰাত গঠিত হোৱা চৰকাৰ সমূহেও এই সমস্যাটোক ৰাজনৈতিক ইচ্ছা হিচাপে ব্যৱহাৰ কৰি আহিছে। সমস্যাটো আশুসমাধানৰ সদিচ্ছা কোনো এখন চৰকাৰে আন্তৰিকতাৰে নেদেখুৱালে । সেয়ে বান নিয়ন্ত্ৰণ তথা জলসিঞ্চনৰ দৰে প্ৰয়োজনীয় দাবী সমূহ শক্তিশালী ৰূপত দাঙি ধৰিবলৈ সুচনীয় ভাৱে ব্যৰ্থ হ'ল। ৰাজনৈতিক বিতৰ্কলৈ অহাৰ মূল লক্ষ্য এই প্ৰৱন্ধৰ নহয়। যদিও প্ৰসঙ্গক্ৰমে কেৱল উল্লেখহে থাকিল। স্ববিস্তাৰে প্ৰকাশ কৰাৰ পৰা বিৰত থাকিলো।এতিয়া আহোঁ বানপানীৰ সমস্যাৰ উৎস আৰু ইয়াৰ সমাধানৰ উপায়ৰ মূল আলোচনালৈ - অসম নামৰ ভূ-খণ্ডত অতীজতে সকলো ঠাইতে মানুহৰ বসতি নাছিল। ঐতিহাসিক পৰ্য্যবেক্ষণেৰে চালে দেখা যায় যি বিলাক ঠাই ওখ চানেকীয়া, পলসুৱা তেনেকুৱা ঠাইতহে মানুহৰ বসতি আছিল। দ ঠাইত বিশেষকৈ পানী জমা হোৱা অঞ্চল সমূহত মানুহৰ বসতি নাছিলেই। আৰু সৰহ ভাগ অঞ্চল গছ-গছনি, হাবি-পৰ্বত-পাহাৰ আদিৰে





ভৰি আছিল। জন সংখ্যা কম হোৱাৰ বাবে বসতিও হেৰেঙা আছিল। ৰাস্তা-ঘাট এতিয়াৰ নিচিনাকৈ ইমান বেছি নাছিল। কোনো ধৰণৰ মথাউৰিৰ ব্যৱস্থা নাছিলেই। নদী সমূহ আজিৰ দৰে বাম নাছিল। জনসংখ্যা বাঢ়ি অহাৰ লগে লগে ৰাজ্যোৰ সকলো ঠাইতে জনবসতি বিয়পি পৰিছে। পূৰ্বৰ হাবি বননি সমূহ বাসোপযোগি কৰি লোৱাত অবননিকৰণ কৰা হৈছে। বিশেষকৈ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ খোদ চৰকাৰী পৃষ্ঠপোষকতাত জধে মধে গছ কাটি বননি শেষ কৰা হৈছে। অসমৰ সীমা মুৰীয়া ৰাজ্যৰ মাজেৰে নদী সমূহ বৈ আহিছে। সেই ৰাজ্য সমূহ যেনে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আদিত চৰকাৰী পৃষ্ঠপোষকতা গছ সমূহ জধে মধে কাটি পেলোৱা হৈছে। ইয়াৰ ওপৰিও চুবুৰীয়া ৰাষ্ট্ৰ ভূটানতো হাবি বননি কাটি দিয়াৰ ফলত অবননিকৰণ হৈছে। ১৯৫০ চনৰ বৃহত ভূমিকম্পনৰ ফলত ব্ৰহ্মপুত্ৰকে ধৰি অসমৰ সকলো নদী-উপনদী বাম হৈ পৰিছে। উক্ত পটভূমিত অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে ভাৰত স্বাধীন হোৱাৰে পৰা অসমৰ বান সমস্যাটো গুৰুত্ব সহকাৰে লোৱা নাই আৰু সমস্যাটো স্থায়ী সমাধানৰ কোনো চেষ্টাও কৰা নাই । অসমৰ বানপানী সমস্যাটো বৈজ্ঞানিক দৃষ্টিভংগীৰে পৰ্য্যালোচনা কৰি এই সমস্যা সমাধানৰ বাবে পদক্ষেপ লোৱাৰ পৰিৱৰ্তে অবৈজ্ঞানিক, অবাস্তৱিক হ্ৰস্বম্যাদী কিছুমান ব্যৱস্থা বানপানী প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰাৰ ফলত অসমত বানপানীৰ প্ৰকোপ নিয়ন্ত্ৰণৰ পৰিৱৰ্তে বৃদ্ধিহে হৈছে। যিকাৰণে প্ৰতি বছৰে বান পানীৰ ধ্বংশ লীলা বৃদ্ধি হৈ আছে। নদীৰ পাৰত বানপানীৰ প্ৰতিৰোধৰ বাবে দিয়া মথাউৰি প্ৰণালীটো আজি এটা অবৈজ্ঞানিক পদ্ধতি বুলিয়েই পৰিগণিত হৈছে। আৰু ইয়াত পুঁজিপতি শোষকৰ শোষণ ব্যৱস্থাটো যাতে অদূৰ ভৱিষ্যতেও অটুত থাকে তাৰ এটা এক গভীৰ ষডযন্ত্ৰ লুকাই আছে। তাৰ এক জলন্ত উদাহৰণ বৃটিছে তেওঁলোকৰ ষ্টাৰ্লিং পুঁজি যাতে অপব্যয় নহয়। তাৰ সুৰক্ষাৰ্থে (চাহ বাগিছা সমূহ বানে সহজে নষ্ট কৰিব নোৱাৰাকৈ ) মথাউৰি নিৰ্মাণ কৰা। বৃটিছৰ প্ৰতি অনুগত্য থকা আৰু তেওঁলোকৰ শিক্ষাৰে শিক্ষিত এচাম দেশীয় শাসকে (কেন্দ্ৰীয়/ৰাজ্য চৰকাৰে) অসমৰ এই আহু কলীয়া সমস্যাটো সমাধানৰ্থে মুঠেই আগ্ৰহী নহয় এই কথা চৰকাৰী বিভাগৰ বিভিন্ন বিশেষজ্ঞৰ কৰ্মকাণ্ডই দেখুৱায় । যেনে - বান নিয়ন্ত্ৰণৰ নামত অহা বহুৰি মথাউৰি মেৰামতিৰ নামত, গড়াখহনীয়া প্ৰতিৰোধৰ নামত বা বান ক্ষতিগ্ৰস্ত লোকক দিবলৈ অৰ্থসাহাৰ্য্য শশ হাজাৰ কোটি টকা

আৰণ্টৰ নাম মাত্ৰ ব্যৱহাৰ কৰি বাকী আত্মহাত কৰা কাৰ্য্য আমাৰ এই বিধংশী সমস্যা সমাধানৰ বাবে যদি চৰকাৰৰ আন্তৰিকতা থাকিল হয় তেনেহলে পৃথিৱীৰ অভিজ্ঞ নদী বিশেষজ্ঞ. অৰ্হতা সম্পন্ন অভিযন্তা, বিজ্ঞানী সকলক জড়িত কৰি অসমৰ বান পানীৰ সমস্যাটো বৈজ্ঞানিক ভাৱে বাস্তৱ পৰিস্থিতি অধ্যয়ন কৰি বান নিয়ন্ত্ৰনৰ কাৰ্য্যসূচী পৰিকল্পনা কৰিলে হেতেন। প্ৰকৃত সদিচ্ছা নথকাৰ বাবে নদীৰ গতি আৰু বাস্তৱ পৰিস্থিতি অধ্যয়ন নকৰাকৈ চৰকাৰী অৰ্হতা সম্পন্ন অভিযন্তা বিজ্ঞানী সকলক জড়িত কৰি অসমৰ বানপানীৰ সমস্যাটো বৈজ্ঞানিক ভাৱে বাস্তৱ পৰিস্থিতি অধ্যয়ন কৰি বান নিয়ন্ত্ৰনৰ কাৰ্য্যসূচী পৰিকল্পনা কৰিলে হেতেন। প্ৰকৃত সদিচ্ছা নথকাৰ বাবে নদীৰ গতি আৰু বাস্তৱ পৰিস্থিতি অধ্যয়ন নকৰাকৈ চৰকাৰী অৰ্হতা সম্পন্ন অভিযন্তা সকলে অজ্ঞলোকৰ দৰে উপৰোৱা সিদ্ধান্তত উপনীত হৈ পানী পোনে পোনে বৈ যাব। মথাউৰি নিৰ্মান কৰিলে পানীয়ে নদী কাষৰিয়া অঞ্চলৰ কোনো ক্ষতি নকৰে বুলি লোৱা সিদ্ধান্তৰে মথাউৰি নিৰ্মাণ কৰা কাম হাতত ললে সেই কামযে কিমান অবৈজ্ঞানিক আৰু তেওঁলোকৰ ধাৰণা যে সম্পূৰ্ণ অবাস্তৱ আছিল সেইয়া কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা আয়োগে প্ৰকাশ কৰা 'অসম উন্নয়ন প্ৰতিবেদন'ত উল্লেখ কৰা তথ্যই প্ৰমাণ কৰে- প্ৰতিবেদন খনত এই দৰে কৈছে - 'The Government must ban further Construction of Embankments by unthinking Engineers, Supported by Politicians and Official, Who do not understand the hydrology of river. Its should also include social Scientists, Environmentalists and Geographers in developing strategies to deal with the situation. Otherwise both flood relief and funds meant for 'Embankment' one, likely to go only to the corrupt and well connected, and death and devastation in the Assam valley will continue.' কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা আয়োগে বিশেষজ্ঞ সকলক লৈ গঠন কৰি দিয়া কমিটিয়ে এই কথা কৈছে। প্ৰতিবেদন খনৰ মতে অসমত থকা যোগ্যতা সম্পন্ন অভিজ্ঞ অভিযন্তা সকলৰ কাৰ্য্যদক্ষতাকহে উপহাস কৰাৰ লগতে শাসনাধিষ্ঠ চৰকাৰ তথা ৰাজনৈতিক বিদ সকলৰ ভুমিকাও উদঙাই দেখুৱাইছে। প্ৰতিবেদনৰ উক্ত পৰামৰ্শাৱলীত স্পষ্ট ভাৱে প্ৰকাশ পাইছে যে, বান পানী সমস্যা সমাধানত অসমত বৰ্তমান চৰকাৰৰ কোনো সদিচ্ছা নাই। বছৰি উৎসৱ অহাৰ দৰে বান পানী হৈ থকাটোহে বিছাৰে এছাম স্বাৰ্থ জড়িত মহলে। ইয়াৰ স্থায়ী সমাধান হোৱাটো





মনে প্ৰাণে কামনা নকৰে। বানপানীৰ সময়ত হোৱা কোটি টকাৰ লুণ্ঠন আৰু বিভিন্ন আঁচনিৰ বাস্তৱ ৰূপায়ন কৰিবলৈ অহা হেজাৰ কোটি টকা হৰলুকি আৰু বান নিয়ন্ত্ৰণ বিভাগৰ দুৰ্নীতিৰ বিস্ফুৰক তথ্য চি, এ, জি ৰ প্ৰতিবেদনত প্ৰকাশ পাইছে। বানপানীৰ সমস্যাই অসমৰ মুষ্টিমেয় এমুঠি মান মানুহৰ জীৱনলৈ প্ৰচুৰ্য্য আনিছে সচা। যদি এইটোৱে সত্য হয় এনে পেক্ষাপটত অসমৰ এই চিৰ বলীয়া সমস্যাটোৰ আশুসমাধান নোহোৱাটোৱেই স্বাভাৱিক। কাৰণ স্বাৰ্থ জড়িত মহলে বানপানী হৈ থকাটোহে বিছাৰে। ইয়াৰ স্থায়ী সমাধান নিবিছাৰে । ব্ৰহ্মপুত্ৰৰ মুঠ দৈৰ্ঘ্য ২,৮৮০ কি.মি. । ইয়াৰ ১৬২৫ কিমি তিব্বতত, ৭২০ কিমি. অসমত, ১৯৮ কি.মি. অৰুণাচলত আৰু ৩৩৭ কিমি. বাংলাদেশত। ই চিংপো নদী তিব্বতৰ মানস সৰোবৰৰ পৰা আহি অৰুণাচল প্ৰদেশত চিয়াং আৰু দিবাং নামেৰে আহি শদিয়াৰ ওচৰত দিবাং আৰু লোহিত নদীৰ লগত মিলি ব্ৰহ্মপুত্ৰ নাম লৈ অসমৰ মাজেদি বৈ গৈ (৭২০ কিমি দৈৰ্ঘ্যৰে) বাংলাদেশত সোমাই গংগা নদীৰ লগত মিলি পদ্মা আৰু মেঘনা নামেৰে বংগোপ সাগৰত পৰিছে। ইয়াৰ ২৯ খন উত্তৰ পাৰৰ উপনদী আৰু দক্ষিন পাৰৰ ২০ খন উপনদী আহি ব্ৰহ্মপুত্ৰক বিশাল গতিশীল সাগৰত পৰিনত কৰিছে। পৃথিৱীৰ ভিতৰত অধিকতম পানী কঢ়িয়াই নিব পৰা নদীৰ ক্ষেত্ৰত আমাদানৰ পিছতেই ব্ৰহ্মপুত্ৰই স্থান লাভ কৰিছে সৰ্ব্বমুঠ ২০+২৯ = ৪৯ খন উপ নদীৰ পৰা বৈ অহা পানী আৰু ১৭৪ ৰ পৰা ৫৪০ ছেঃমি বৰষুণৰ পৰিমাণৰ পানী ইয়েই বহন কৰে। পৰ্ব্বতৰ পৰা বৈ অহা নদীসমূহে আৰু সৰু সৰু অসংখ্য উপনৈ সমূহে পানীৰ লগত কঢ়িয়াই অনা পলস,বালিশিল আদিয়ে নদী সমুহ বাম কৰি তুলিছে। যাৰ ফলত নদী সমুহে পানীৰ স্বাভাৱিক বহন ক্ষমতা হেৰুৱাই পেলাইছে। বাৰিষা বৈ অহা অতিৰিক্ত পানী ভাগে নদী কাষৰীয়া অঞ্চলত বানৰ সৃষ্টি কৰে। ১৯৫০ চনৰ ভুমিকম্পৰ পিছত নদী তলি সমুহ ওপৰলৈ উঠি অহাৰ বাবে বাম হ'ল। নদী সমুহৰ দুয়ো পাৰে মথাউৰি বান্ধি দিয়াৰ ফলত নদীৰ পানীৰ লগত বৈ অহা পলস, বালি, মাটি শিল আদি যোৱা ৫০ বছৰ ধৰি জমা হোৱাৰ কাৰণে মথাউৰি মাজৰ ভূ-খণ্ড বহু ওখ হৈ পৰিছে। যাৰ ফলত পানীৰ স্বাভাৱিক ধৰ্মত মতি পৰিছে। ওখ ঠাইৰপৰা বাগৰি অহা পানীক যিকোনো বান্ধে বেছি দিন ভেটা দি ৰাখিব নোৱাৰে। বাৰিষা কালত বাঢ়ি অহা পানীয়ে সেয়ে চাৰিওফালে মথাউৰি ভাঙিবলৈ আৰম্ভ কৰে আৰু হাজাৰ হাজাৰ গাঁও বানত নিচিহ্ন হয়।

অবননিকৰণ হোৱাৰ ফলত নদীৰ গতি খৰস্ৰোতা হৈছে আৰু সেই নদীয়ে গড়াখহনীয়াৰ দৰে ক্ষয়ংকাৰী প্ৰৱনতা বৃদ্ধি কৰিছে। ইয়াৰ এটা থুলতুলীয়া হিচাপ মাজুলীৰ ক্ষেত্ৰত দিব পাৰি। যিটো মাজুলী বাসীৰ প্ৰতি অতি উদ্দেগজনক। ১৯৯১ চনৰ মাজুলীৰ মুঠ মাটিকালি ১২৫৬ বৰ্গ কি.মি. বৰ্ত্তমান ৮৭৫ কিমি. হে আছে। এই বিধ্বংসী গড়াখহনীয়াৰ পৰা কোনো এখন নদীৰ কাষৰীয়া ঠাই ৰেহাই পোৱা নাই । শদিয়াও ইয়াৰ পৰা পৃথক নহয়। অসমৰ আন্তঃ গাঠনি উন্নয়ন আৰু সাৱলীকৰণ অন্যতম বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিছে বানপানী সমস্যাই। বানসমস্যা সমাধান অবিহনে অসমৰ অৰ্থনৈতিক উন্নয়ন হবই নোৱাৰে। আন্তঃগাঠনি উন্নয়নৰ কাৰণে বানপানী সমস্যা জৰুৰী সমাধানৰ প্ৰয়োজন । পৰিতাপৰ কথা এইয়ে অসমৰ ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ ফলত কেন্দ্ৰীয় চৰকাৰে অসমৰ বানপানী সমস্যাক ৰাষ্ট্ৰীয় বানপানী সমস্যা হিচাপে ঘোষনা কৰিবলৈ বাধ্য হোৱাৰ পাছত আজিলৈকে কোনোধৰণৰ বান নিয়ন্ত্ৰনৰ বাবে প্ৰকল্প ঘোষিত হোৱা নাই। ঘোষনা কেৱল ঘোষনা হৈয়ে থাকিল। এনে বহুমূখী আঁচনি কাৰ্য্যত ৰূপায়ন নোহোৱাৰ পৰিপেক্ষিতত ব্ৰহ্মপুত্ৰ বা বৰাকৰ দৰে সম্পদশালী নদীসমূহৰ পানী সঠিক নিয়ন্ত্ৰণ তথা পৰিকল্পনা /প্ৰকল্প স্থাপনৰ বাবে সদিচ্ছা আৰু প্ৰয়োজনীয় পুঁজি বিনিয়োগ কৰা মানসিকতাৰ অভাৱৰ বাবে অমূল্য সম্পদো আজি অভিশাপৰ দৰে হৈছে।

অসমৰ বান নিয়ন্ত্ৰনৰ নামত বছৰি ভগা মথাউৰি পূৰ্ণ নিৰ্মান কৰি থাকিলে গড়াখহনীয়া প্ৰতিৰোধৰ নামত বা বান ক্ষতিগ্ৰস্ত লোকৰ সাহাৰ্য্যৰ নামত শ শ বা হাজাৰ কোটি টকাৰ আৱণ্টনে অসমৰ বান সমস্যা সমাধান কৰিব নোৱাৰে । ইয়াৰ স্থায়ী সমাধানৰ বাবে নদীৰ বাস্তৱ পৰিস্থিতি অধ্যয়ন কৰি ইয়াৰ বুকু খান্দিব লাগিব তেতিয়াহে ই নিৰ্দিষ্ট গতি লব আৰু ইয়াত জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰিব লাগিব। ইয়াৰ অন্যথা কোনো হ্ৰস্বম্যাদী প্ৰতিকাৰ ব্যৱস্থাই বান নিয়ন্ত্ৰনত অৰিহনা আগবঢ়াব নোৱাৰে। ব্ৰহ্মপুত্ৰ বৰ্ডৰ বিশেষজ্ঞ সকলে পৰামৰ্শ অনুসৰি লোৱা পদক্ষেপ যদি বাস্তৱায়িত হয় কৃত্ৰিম হ্ৰদ সৃষ্টি (Storage reservorious) আৰু জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰা হয় তেনেহলে বান সমস্যা সমাধান হ'ব বুলি আশা কৰিব পাৰি। কিন্তু অৰুণাচল প্ৰদেশত স্থাপন কৰিবলৈ লোৱা দিবাং জলবিদ্যুৎ প্ৰকল্পই কি ধৰনৰ সহায় কৰিব আৰু কি পৰিমাণৰ ক্ষতি কৰিব তাকো এবাৰ বিশ্লেষণ কৰাৰ দৰকাৰ হৈ পৰিছে। ২৮৮ মিটাৰ উচ্চতাৰে নিৰ্মাণ হ'বলগীয়া প্ৰকল্পৰ মুঠ ব্যয়ৰ

সুঁতি

অবননিকৰণ হোৱাৰ ফলত নদীৰ গতি খৰস্ৰোতা হৈছে আৰু সেই নদীয়ে গড়াখহনীয়াৰ দৰে ক্ষয়ংকাৰী প্ৰৱনতা বৃদ্ধি কৰিছে। ইয়াৰ এটা থুলতুলীয়া হিচাপ মাজুলীৰ ক্ষেত্ৰত দিব পাৰি। যিটো মাজুলী বাসীৰ প্ৰতি অতি উদ্দেগজনক। ১৯৯১ চনৰ মাজুলীৰ মুঠ মাটিকালি ১২৫৬ বৰ্গ কি.মি. বৰ্ত্তমান ৮৭৫ কিমি. হে আছে। এই বিধ্বংসী গড়াখহনীয়াৰ পৰা কোনো এখন নদীৰ কাষৰীয়া ঠাই ৰেহাই পোৱা নাই । শদিয়াও ইয়াৰ পৰা পৃথক নহয়। অসমৰ আন্তঃ গাঠনি উন্নয়ন আৰু সাৱলীকৰণ অন্যতম বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিছে বানপানী সমস্যাই। বানসমস্যা সমাধান অবিহনে অসমৰ অৰ্থনৈতিক উন্নয়ন হবই নোৱাৰে। আন্তঃগাঠনি উন্নয়নৰ কাৰণে বানপানী সমস্যা জৰুৰী সমাধানৰ প্ৰয়োজন । পৰিতাপৰ কথা এইয়ে অসমৰ ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ ফলত কেন্দ্ৰীয় চৰকাৰে অসমৰ বানপানী সমস্যাক ৰাষ্ট্ৰীয় বানপানী সমস্যা হিচাপে ঘোষনা কৰিবলৈ বাধ্য হোৱাৰ পাছত আজিলৈকে কোনোধৰণৰ বান নিয়ন্ত্ৰনৰ বাবে প্ৰকল্প ঘোষিত হোৱা নাই। ঘোষনা কেৱল ঘোষনা হৈয়ে থাকিল। এনে বহুমূখী আঁচনি কাৰ্য্যত ৰূপায়ন নোহোৱাৰ পৰিপেক্ষিতত ব্ৰহ্মপুত্ৰ বা বৰাকৰ দৰে সম্পদশালী নদীসমূহৰ পানী সঠিক নিয়ন্ত্ৰণ তথা পৰিকল্পনা /প্ৰকল্প স্থাপনৰ বাবে সদিচ্ছা আৰু প্ৰয়োজনীয় পুঁজি বিনিয়োগ কৰা মানসিকতাৰ অভাৱৰ বাবে অমূল্য সম্পদো আজি অভিশাপৰ দৰে হৈছে।

অসমৰ বান নিয়ন্ত্ৰনৰ নামত বছৰি ভগা মথাউৰি পূৰ্ণ নিৰ্মান কৰি থাকিলে গড়াখহনীয়া প্ৰতিৰোধৰ নামত বা বান ক্ষতিগ্ৰস্ত লোকৰ সাহাৰ্য্যৰ নামত শ শ বা হাজাৰ কোটি টকাৰ আৱণ্টনে অসমৰ বান সমস্যা সমাধান কৰিব নোৱাৰে । ইয়াৰ স্থায়ী সমাধানৰ বাবে নদীৰ বাস্তৱ পৰিস্থিতি অধ্যয়ন কৰি ইয়াৰ বুকু খান্দিব লাগিব তেতিয়াহে ই নিৰ্দিষ্ট গতি লব আৰু ইয়াত জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰিব লাগিব। ইয়াৰ অন্যথা কোনো হ্ৰস্বম্যাদী প্ৰতিকাৰ ব্যৱস্থাই বান নিয়ন্ত্ৰনত অৰিহনা আগবঢ়াব নোৱাৰে। ব্ৰহ্মপুত্ৰ বৰ্ডৰ বিশেষজ্ঞ সকলে পৰামৰ্শ অনুসৰি লোৱা পদক্ষেপ যদি বাস্তৱায়িত হয় কৃত্ৰিম হ্ৰদ সৃষ্টি (Storage reservorious) আৰু জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰা হয় তেনেহলে বান সমস্যা সমাধান হ'ব বুলি আশা কৰিব পাৰি। কিন্তু অৰুণাচল প্ৰদেশত স্থাপন কৰিবলৈ লোৱা দিবাং জলবিদ্যুৎ প্ৰকল্পই কি ধৰনৰ সহায় কৰিব আৰু কি পৰিমাণৰ ক্ষতি কৰিব তাকো এবাৰ বিশ্লেষণ কৰাৰ দৰকাৰ হৈ পৰিছে। ২৮৮ মিটাৰ উচ্চতাৰে নিৰ্মাণ হ'বলগীয়া প্ৰকল্পৰ মুঠ ব্যয়ৰ

পৰিমাণ ১৬,৪২৫ কোটি টকা, ইয়াৰ উৎপাদনৰ পৰিমান হ'ব ৩০০০ MW ভল্ট ৬ হেডৰেচ, খৰচৰ ভল্ট ২৫০ দৈৰ্ঘ্য ৮১৬ মিটাৰ, জমা হোৱা পানীৰ দৈৰ্ঘ্য ৪৩ কিমি. প্ৰতিদিনে জমা পানীৰ পৰিমাণ হ'ব ৩,৮৫০,৩ কিউমেক। ইয়াত উৎপাদন হোৱা বিদ্যুতৰ পৰা ৰাজ্যখনে স্বাৱলম্বী হ'ব। পিক্ পইন্টত ব্যৱহাৰ হোৱা ৫০ MW ভল্ট ব্যৱহৃত বিপৰীতে ৰাহি খিনিৰে বিদেশী মুদ্ৰা অৰ্জন কৰিবলৈ সক্ষম হ'ব। আৰু এনে কৰাৰ ফলত বান পানীৰ সমস্যাটোৰ সমাধান হ'ব বুলি আশা কৰিব পাৰি। কিন্তু অৰুনাচলৰ পাহাৰৰ মাটি সমূহ অতি কোমল। ই এতিয়াও পৈনত অৱস্থা পোৱাগৈ নাই। সেয়ে যদি চিমেন্টৰ ঘোল দি নিৰ্মাণ কৰা বান্ধৰ অৰ্থাৎ অপৈনত পাহাৰৰ মাটি ঠাইত সাধাৰণ ভূকম্পনত ভাগি যায় তেনেহলে ইয়াৰ পৰিণাম ভয়ংকৰ হ'ব। EIA report ৰ মতে প্ৰতি তিনি মিনিটত পোন্ধৰ মিটাৰ উচ্চতাৰে বানপানীৰ সৃষ্টি কৰিব অসমৰ লক্ষিমপুৰ, ধেমাজিকে ধৰি ডিব্ৰুগড়লৈকে বান উটি যোৱা আশংকাই বেছি । আনফালে এটা ফাল মৰুভূমি সদৃশ কৰি তুলিব খৰালি কালত যত শস্যৰ বীজ অংকুৰণ হোৱাৰ সুযোগেই নাপাব। গতিকে এনে ক্ষয়ংকাৰী অৱস্থাৰ পৰা পৰিত্ৰাণ পাবলৈ সকলোকে সচেতন কৰি তুলিব লাগিব। সকলোকেই কাম কৰিবলৈ বাধ্য কৰিব লাগিব। Everybody in Assam must be made to work. কাম কৰাৰ কোনো বিকল্প নাই । অন্যথা সমস্যা সমাধানৰ কাৰণে যুজঁকৰি জনশক্তি বিফল হোৱা আৰু শূণ্যত গদা ঘূৰাই থকাৰ মাজত একো পাৰ্থক্য নাথাকিব।

OKDISCD